চান্দমামা

জুন ১৯৯৩



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আঁৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে **105.00** ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে **111.00** ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশান মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

GET OFF TO A FLYING START *with*

KITAP GHAR



LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.



LION *Gee-flo®* BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON&HEDGES WORLD CUP 1992

OFFICIAL LICENSEE OF THE WORLD CUP

National-766

চান্দমামা

*

জুন ১৯৯৩

এই সংখ্যাত আছে

*

শিশুৰ চিন্তাশক্তিৰ সমল	:	৭
কেনাডাত কন্দল	:	৯
মুখৰ মুখ	:	১১
সঠিক কথা	:	১৬
অভিশপ্ত পুষ্প	:	১৭
আত্ম-প্ৰৱঞ্চনা	:	২৫
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
সাধু-হোৱাৰ গুৰি কথা	:	৩৭
সাহসৰ পুৰস্কাৰ	:	৪১
বীৰ হনুমান	:	৪৫
পোহৰ	:	৫৩
গোঁজেই হ'ল গজালি	:	৬০

*

আৰু 'বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য' ইত্যাদি : ৬৩

বিনামূল্যে! জনী জ'কাৰ সজাৰ কৌশল: আজিয়েই লিখক; 1 টকাৰ টিকট লগোৱা নিজৰ ঠিকনা থকা লেফাফা এখনো লগতে দিয়ক। এই ঠিকনাত: কৰেচ (ইণ্ডিয়া) লিমিটেড, পোঃ বঃ নং 6558, ৱৰ্লি, বম্বে 400 018

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰলগেলগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিছ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলছ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণ-কৈ দিব লাগিব।			

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চক্রপাণি   সঞ্চালক : বি নাগিৰেড্ডি

শিশুৰ চিন্তাৰ তথা শিক্ষাৰ সমল

ইংৰাজিত এষাৰ ফকৰা আছে : সদায় পঢ়া নহয় খেলা, তাৰে হ'ল জ্যাক (Jack) ধোদৰ পচলা। আমাৰ দেশতো প্ৰচুৰ সংখ্যক মাক-দেউতাকে তেওঁলোকৰ ল'ৰা-ছোৱালীহঁতে সদায় লেখা-পঢ়া কৰি থকাটোহে বিচাৰে।

যি হওক—এতিয়া অৱশ্যে সেই কথাৰ অন্ত পৰিল। পৰী ক্কাটৰীক্কা হৈ গ'ল। ল'ৰা-ছোৱালীহঁতে এতিয়া সদা সৰ্বক্ষণ খেলি থাকিলেও কোনো কথা নাই বা সিহঁতে অ'লৈ-ত'লৈও যাব পাৰে, ফুৰিবলৈ ওলাব পাৰে। অমুক চহৰলৈ, তমুক গাঁৱলৈ গৈ সিহঁতে বেলেগ ধৰণে জ্ঞানো আৰ্জিব পাৰে খেলা-ধুলাৰ যোগেদি।

ল'ৰাকালৰ অন্যতম অংগ হ'ল—খেলা। এই খেলাৰ যোগেদিয়েই সিহঁতে বন্ধু লাভ কৰে।

আজিৰ দিনত, বহুতল বিল্ডিঙৰ শিশুহঁতে খেলা-ধুলাৰ বাবে অতি সংকীৰ্ণ এডোখৰ ঠাই পায়, আৰু নতুন নতুন খেলৰ লগৰী প্ৰায় নাপায়েই। কিয়নো—ইখন ফ্লাটৰ বাসিন্দাৰ মনত সিখন ফ্লাটৰ বাসিন্দাহঁতৰ মিলা-মিছা কৰাৰ আথিন্দায়েই প্ৰায় নোহোৱা হৈছে। গতিকে—এই শিশুহঁতৰ সৈতে সিহঁতৰ মাক-দেউতাকেও যদি নিয়মীয়াকৈ নেখেলে—তেনেহ'লে সিহঁতৰ মনত এক নিদাৰুণ অভাৱবোধৰ সৃষ্টি হ'ব। আমাৰ অনুৰোধ, কেৱল শিশুহঁতে নিজে নিজেই নহয়, মাকে-দেউতাকেও খেলা-ধূলা কৰক, সিহঁতৰ বন্ধু হওক। খেলা-ধুলায়েই হ'ল শিশুৰ চিন্তাশক্তিৰ সমল।

বছৰ : ১৮   জুন ১৯৯৩   সংখ্যা : ৩

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০টকা





চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

কেনাডাত কন্দল

অন্যান্য ঠাইত যিমানেই মিত্র-বন্ধু নাথাকক, কেনাডাত ইংৰাজ আৰু ফৰাছিৰ মাজত কাজিয়া-কন্দল যোৱা দুশ বছৰ ধৰি চলি আছে…চলিয়েই আছে। কেনাডাৰ কন্দলৰ অন্ত পেলাবলৈ সম্প্ৰতে ৰিফাৰেণ্ডামৰ অৰ্থাৎ জনমত গ্ৰহণৰো ব্যৱস্থা কৰা হৈছে।

আজিৰপৰা মোটামুটি ভাবে ৫০০ বছৰৰ আগেয়ে, ১৪৯৭ আৰু নোভাস্কাশ্বিয়ালৈ পদাৰ্পণ কৰিছিল। চল্লিছ কি পঞ্চাছ বছৰৰ পাছত জ্যাকে কাৰ্তিয়া নামৰ এগৰাকী ফৰাছি অভিযাত্ৰী ক্যুইবেক নামৰ অঞ্চলৰ দক্ষিণস্থিত গাঁও এখন পাইছিলহি। তাত থকা ৰে'ড ইণ্ডিয়ানসকলে সেই অঞ্চলক 'কনা থা' নামেৰে অভিহিত কৰিছিল। হুগুৰণ ভাষাৰ এই 'কনা থা'ৰেপৰাই আজিৰ 'কেনাডা' নাম হৈছে।

ফৰাছি-তৃৰ্পক্ষই এই অঞ্চলক 'ন্যু ফ্ৰাঁছে' অৰ্থাৎ 'নিউফ্ৰান্স' নামেৰে ফ্ৰান্সৰ অধীনস্থ অঞ্চল হিচাপে ঘোষণা কৰিছিল।

১৭ শতিকাত ইংল্যাণ্ড আৰু ফ্ৰান্সৰ মজত প্ৰত্যক্ষৰূপে কাজিয়া-কন্দল লাগি পৰিল। ১৭১৩ চনত 'ওট্ৰেক্ট সন্ধি' চুক্তিৰ বলত ইংল্যাণ্ডে কেনাডাৰ কিছুমান অঞ্চলৰ পূৰ্ণ অধিকাৰ পালে। তাৰ পাছত, সাত বছৰ যোৱা যুদ্ধৰ অন্তত ১৭৬৯ চনত 'পাৰী (পেৰিছ) চুক্তি'ৰ ফল কেনাডাৰ অধিকাৰ বৃটেইনে পালে আৰু এশ বছৰত ক্যুইবেক, অণ্টাৰিঅ', নোভাস্কাশ্বিয়া আৰু ন্যু ব্ৰন্সৰিক ৰাজ্যকেইখন লগ লাগিছে। পাছত মনোটোবা, বৃটিছ-কোলম্বিয়া, আলবেৰ্তা আৰু ছস্কয়্যুৰান ৰাজ্যও লগ লাগিলহি। ১৯৩১ চনত 'ওৱেস্টমিনস্টাৰ বিধান' অনুসাৰে এই বিৰাট দেশখন বৃটিছ কমনওৱেলথৰ অধীনস্থ এক স্বতন্ত্ৰ ভূখণ্ডৰূপে নিৰ্দ্ধাৰিত হ'ল। কিন্তু—ক্যুইবেকত ফৰাছিভাষীৰ আধিক্য হোৱাত সেই অঞ্চলত ফৰাছি-সংস্কৃতি ৰক্ষাৰ বাবে আন্দোলনে মূৰ দাঙি উঠিল। আৰু তাৰ অনিবাৰ্য্য পৰিণামেই হ'ল ইংৰাজ-ফৰাছিৰ মাজত বিভাজন।

যোৱা দুবছৰ ধৰি এই বিভাজনক বাধা দিবলৈ নানা ধৰণে আলোচনা হৈছে, হৈ আছে। বিশেষকৈ ক্যুইবেকত। প্ৰধানমন্ত্ৰী ব্ৰিয়ান মলৰোনি আৰু দহখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ মাজত আলাপ আলোচনা হৈছে আৰু সংবিধানত কিছুখিনি পৰিৱৰ্তন কৰাৰো চেষ্টা চলোৱা হৈছে। ক্যুইবেকক বিশেষ স্থান প্ৰদান, ছিনেটৰ নমিনেশ্বানৰ ঠাইত নিৰ্বাচনৰ সুবিধা প্ৰদান, আৰু ঘলুৱা ৰে'ড ইণ্ডিয়ান আৰু এস্কিমোসকললৈ স্বায়ত্বশাসন প্ৰদান ইত্যাদি অন্যতম। ১৯৯২ চনৰ ২৪ আগস্টৰ দিনা এই চুক্তি হৈছে।

সম্প্ৰতে অনুষ্ঠিত ৰিফাৰেণ্ডামত এটি প্ৰশ্ন সোধা হৈছে : '২৪ অগাস্টৰ চুক্তিৰ অনুৰূপ সংবিধান সংশোধনত আপোনাৰ মত আছেনে?' ক্যুইবেকে এই মতৰ অনুকূলে স্বীকৃতি প্ৰদান কৰা নাই। কিয়নো—এই চুক্তি মতে কাম কৰা হ'লে তথা সংবিধান সংশোধন ক'ৰা হ'লে ক্যুইবেকৰ স্বতন্ত্ৰ্য প্ৰাপ্তিৰ আশা একেবাৰেই নোহোৱা হৈ যাব।



কেনাডাৰ সৰ্বাধিক জন-অধ্যুষিত অঞ্চল হ'ল অন্টাৰিঅ', আৰু এই অঞ্চলেও সংবিধান-সংশোধনৰ এই প্ৰস্তাৱলৈ গৰিহনা দিছে। নোভাস্কাশ্বিয়া, মনোটোবা, ছস্কায়্যুৱান, আলবেৰ্তো আৰু বৃটিছ কোলম্বিয়ায়ো এই চুক্তিক অৰ্থাৎ ২৪ অগাস্টৰ সংবিধান-সংশোধনজনিত চুক্তিক পোনে পোনেই খাৰিজ কৰি দিছে। মাত্ৰ—ন্যুফাউণ্ড-ল্যাণ্ড, ন্যুব্ৰন্সৱিক আৰু প্ৰিন্স এডওৱৰ্ড আইল্যাণ্ড—এই তিনিখন ৰাজ্যইহে উক্ত প্ৰস্তাৱলৈ অৰ্থাৎ ২৪ অগাস্টৰ চুক্তিলৈ তেওঁলোকৰ সমৰ্থন জ্ঞাপন কৰিছে।

কিন্তু ফেডাৰ্যাল পাৰ্ল্যামেণ্ট আৰু দহোখন ৰাজ্যৰ বিধান সভাৰ স্বীকৃতি পালেহে সংবিধানৰ সংশোধন সম্ভৱ হ'ব, নতুবা নহ'ব! খুবসম্ভৱতঃ সেই কথা উপলব্ধি কৰিয়েই প্ৰধানমন্ত্ৰী মলৰোনিয়ে প্ৰধানমন্ত্ৰীৰ পদৰপৰা অব্যাহতি ল'লে।

সুখৰ মুখ

পাৰ্বতীপুৰৰ পৰমেশ অৰ্থাৎ পৰমেশ্বৰ হ'ল পঁচিছ বছৰীয়া এক চফল ডেকা। সি ছিৰীণ কুটাটোও তিৰীণ কৰাত নাই অলিবাটত চলি ধৰি দিনৰ দিনটো টলৌ টলৌকৈ ঘূৰিহে ফুৰে। গাঁৱৰ ৰাইজে তাক আঁৰত আহাৰ ছেদ হোৱাটো বুলি যে গালি-ছালি পাৰে, জানে সি। কিন্তু তথাপি সি ধোদামি এৰিব নোৱাৰে।

আৰু—সি যেতিয়া ছাব্বিছ বছৰীয়াটো হ'ল, তেতিয়া—আন যি কৰক-নকৰক বিয়া কৰাই ঘৰতে ঠুঁটিয়াটি হৈ বহি দিলে।

শহুৰ-ঘৰত তিন মাহ ধৰি পৰমেশ্বৰৰ ঘৈণীয়েক পাভমণিয়ে সকলো হাল-চালনৈ ভালকৈ মন কৰিলে। তাৰ পাছত এদিন তাই তাইৰ গিৰিয়েকক ক'লে, "বোলোঁ— এনেকৈ হাত সাৱটি বহি থাকিলেনো হয় কেনেকে'? বুঢ়া দেউতাৰ লগত কাম-কাজত হাত উজান দিলেহে ভাল।"

শুনি পৰমেশ্বৰৰ উঠিল খং। সি গৰম হৈ কৈ উঠিল। "বাঃ! বৰ বঢ়িয়া কথাকে কৈছা। আজি :দেউতাৰ কাম-কাজত, কাইলৈৰপৰা তোমাৰ ৰন্ধা-বঢ়াৰ কামত হাত উজান দি—উজাই বল দিব লাগিলে হৈছে আৰু। তোমাক কিনো মজা পোকে কামুৰিষ ধৰিছেহে—?" এইদৰে কেই বছৰমান চলিল। আৰু তাৰ পাছত এদিন বেমাৰত পৰি পৰমেশ্বৰ ঢুকাল।

ইতিমধ্যে পৰমেশ্বৰ ল'ৰা এটিৰ পিতৃ হৈছিল। কিন্তু তথাপি পৰমেশ্বৰৰ মাজত কোনো ধৰণৰ পৰিৱৰ্তন হোৱা নাছিল। সি আগৰ দৰেই এলাহতেই কাল কটাইছিল। পাভমণিয়ে ঘৰৰ সকলো

কামেশ্বৰ খাটনিয়াৰ

কাম-বন কৰাৰ অন্তত তাইৰ নৰজাত কেঁচুৰাটিক খেতি-বাতি চোৱা-চিতাৰ কামও কৰিছিল।

এদিন পাভমণিয়ে তাইৰ দহমহীয়া কেঁচুৰাটিক গিৰিয়েকৰ হাতত গটাই দি—খেতি-পথাৰলৈ গ'ল কাম কৰিবলৈ। গধূলিৰ আগে আগে যেতিয়া তাই খেতি-পথাৰৰপৰা উভতি আহিল, কেঁচুৰাটি কুঁৱাটোৰ পিনে গৈ থকা দেখা পালে। পৰমেশ্বৰে কেঁচুৰাটিৰ পিনে চাই কিছু দূৰত তেতিয়া এপাহতে হাত-ঠেং খোৱাটোৰ দৰে বহি আছিল।

এই দৃশ্য দেখি পাভমণি চিঞৰি উঠিল। তাই তাইৰ হাতত থকা বস্তবোৰ দলিয়াই পেলাই দৌৰি গৈ কেঁচুৰাটিক কোলালৈ দাঙি ল'লে আৰু তাৰ পাছত গিৰিয়েকক টান মাতেৰে ক'লে, "মই উভতি অহাত আৰু অক'মান পলম হোৱাহেঁতেন কেঁচুৰাটো কুঁৱাৰ ভিতৰত পৰি মৰিল-হেঁতেন। তুমি বহি বহি ৰং চাই আছিলানে কি? তুমিনো কেনেকুৱা পিতৃ?"

পৰমেশ্বৰে অতি সহজ কণ্ঠেৰেই ক'লে, "এই সময়ত তুমি দেখোন সদায় আহি থাকা। সেই কাৰণেহে মই মনে মনে আছিলোঁ। তুমি আহিবাই, আহি তাক দাঙি ল'বাই যেতিয়া—কেলেইনো মই মিছামিছিকৈ লৰা-ধপৰা কৰি মৰিম?"

তেতিয়াই পাভমণিয়ে তাইৰ কোলাৰ



কেঁচুৰাটোক লৈ পোনে পোনেই মাকৰ ঘৰলৈ গুচি গ'ল।

পৰমেশ্বৰ তাতেই বহি থাকিল। সাঁজ লগি ভাগিল, কিন্তু পৰমেশ্বৰ তাৰপৰা নুঠিল। তাৰ পাছত কেতিয়া যে সি টোপনিত লাল-কাল দিলে সি ক'বই নোৱাৰিলে। মাজনিশা সি সাৰ পালে। আৰু সাৰ পায়েই তাত এন্ধাৰৰ গাত ভেজা লাগি ভূত এটাক বহি থকা দেখা পালে।

"শুনা, মই হ'লোঁ এটি ধোদাল ভূত। তোমাক দেখামাত্ৰেই মই বুজি পাইছোঁ যে —তুমিও এটা মহাধোদ। মোক অলপ সহায় লাগে। যিহেতু আমি দুয়োটায়েই ধোদ—সিহেতুকে তুমি নিশ্চয় মোক সহায় কৰিবা। ধোদে ধোদক নেদেখিলে কোনে দেখিব?" এনেবাং ভূতটোৱে ক'লে, "এডাল লোৰ কাঠী আৰু কোদাল এখন লৈ মোৰে সৈতে ব'লা।"

"সেইবোৰ তুমিয়েই লৈ ব'লাচোন।"

ভূতটোৱে পৰমেশ্বৰক ক'লে, "কিন্তু মোক সহায় কৰাৰ আগতে—মই ভূত কেনেকৈ হ'লোঁ, মন পুতি শুনি লোৱা।"

ভূতটোৱে তাৰ কাহিনী কৈ থাকিল:

যেতিয়া সি জীয়াই আছিল, তেতিয়া তাৰ নাম আছিল সোমেশ্বৰ। সি আছিল সিহঁতৰ ঘৰখনৰ ডাঙৰ ল'ৰা। কিন্তু সি একো বন-বাৰি নকৰাকৈ পুৱাৰপৰা গধূলিলৈকে তিনিজন বন্ধুৰ সৈতে টহল দি



ফুৰিছিল। সদায় কুকৰ্ম কৰাটোৱেই আছিল বন্ধুহঁতৰ স্বভাৱ, দুৰ্গুণেই আছিল সিহঁতৰ গুণ। কিন্তু—সোমেশ্বৰে কোনো কুকাজ নকৰিছিল। সিহঁতৰ লগ লাগি ঘূৰি ফুৰিছিলহে মাথোন।

সোমেশ্বৰৰ এজনী মাত্ৰ ভনীয়েক আছিল। তাইৰ বিয়া পতাৰ বাবে পিতাকে চুবুৰীয়া গাঁৱৰ কোনোবা এজনৰ ওচৰত মাটি কিছুখিনি বেচি ৰাতিৰ পৰতে মুদ্ৰাখিনিৰে সৈতে ঘৰলৈ বুলি খোজ লৈছিল। কিন্তু কোনোবা এটাই তেওঁৰ পিছ লোৱা বুলি ধাৰণা হ'ল। তেওঁ মুদ্ৰাখিনি বৰগছ এজোপাৰ তলত পুতি থ'লে। পিছ লোৱাটো আছিল এটা ডকাইত। সি সোমেশ্বৰৰ দেউতাকৰপৰা কোনো ধন-সোণ নাপাই তেওঁক ইমান মাৰ-পিট কৰিলে যে তেওঁ শয্যাশায়ী হৈ পৰিল আৰু কেদিনমানৰ অন্তত ঢুকাল। ঢুকোৱাৰ আগে আগে—মুদ্ৰাখিনি ক'ত পুতি থৈ গ'ল—সেই কথা সোমেশ্বৰক কৈ গ'ল তেওঁ। তেওঁ সোমেশ্বৰক আৰু কৈছিল যে—তাৰ ভনীয়েকৰ বিয়াখন বন্দৰস্তমতেই সি পাতি দিয়ে যেন।

সোমেশ্বৰ আছিল ইমানেই এলেহুৱা যে—বৰগছৰ তলৰপৰা মুদ্ৰাখিনি মাটি খান্দি উলিয়াই অনাৰ কথা ভাবোঁতেই তাৰ ভালেমান দিন গ'ল। তাৰ পাছত—বহু দিনৰ পাছত এদিন ৰাতিৰ পৰতে কোদাল এখন কান্ধত লৈ সোমেশ্বৰ ওলাল। তাৰ ধূৰ্ত বন্ধু এজনে কথাটো সোমেশ্বৰৰ মুখৰপৰাই কেনেবাকৈ গম পাইছিল আৰু দূৰত্ব বজায় ৰাখি সোমেশ্বৰৰ পিছে পিছে গৈ থাকিল। সোমেশ্বৰে সেই কথা গমকে নাপাইছিল।

কিন্তু অলপ পাছতেই সোমেশ্বৰে পালে গম, কোনোবাই তাৰ পিছ লৈছেহে। সেইহে—সি আচল বৰগছ-জোপাৰ তললৈ নগৈ আন এজোপাৰ তললৈ গৈ মাটি খান্দিবলৈ ধৰিলে। আৰু

লগে লগেই তাৰ সেই মহা-দুষ্ট বন্ধুটোৱে এচটা ডাঙৰ শিলেৰে সোমেশ্বৰৰ মূৰটো গুড়ি কৰি পেলালে।

ঠিক তেতিয়াই ক'ৰবাৰপৰা বাঘ তিনিটা ওলালহি আৰু সোমেশ্বৰৰ হত্যাকাৰী বন্ধুক সেই বাঘ তিনিটাই মাৰি খালে।

এইদৰে ধোদাল ভূতটোৱে নিজৰ কাহিনী কোৱাৰ অন্তত মন্তব্য কৰিলে: "ধনখিনি বৰগছৰ তলৰপৰা উলিয়াই আনিবলৈ গৈ মই মৰিলোঁ, মোৰ ভনীজনীৰ বিয়া বন্ধ হৈ গ'ল আৰু মোৰ দুখতে মোৰ মা আৰু ভনীজনীও মৰিল। মই প্ৰেতাত্মা হৈ নৰকস্থ হ'লোঁ।"

এইবোৰ-এনেবোৰ কথা পাতি পাতি দুয়ো এজোপা বৰগছৰ কাষ চাপিল। ভূতটোৱে কোৱামতে বৰগছৰ তলত মাটি খান্দি পৰমেশ্বৰে মুদ্ৰা কিছুমান পালে।

তেতিয়া ভূতটোৱে পৰমেশ্বৰক ক'লে, "অজি গধূলি পৰতে — তোমালোকৰ কেঁচুৱা ল'ৰাটোক লৈ তেমাৰ ঘৈণীয়েৰাই এই বাটেদি যোৱা দেখা পাইছিলোঁ। তোমাৰ ল'ৰাটোৱে ভোকত কান্দি থকাত তাক তোমাৰ ঘৈণীয়েৰাই কৈ আছিল, 'এটা ধোদৰ পোৱালি হৈ এইখিনি কষ্ট তই ভুঞ্জিবই লাগিব।' এই বুলি কৈ কৈ তেওঁ চকু পানী টুকি আছিল। শুনি-- মোৰো ইমান যে দুখ লাগিল! যেই কি নহওক—যিখিনি ধন মাটি খান্দি পালা, সেইখিনিৰেই সৰুসুৰা কিবা কাৰবাৰত ধৰা, ধোদামি এৰা। নহ'লে — তুমিও এদিন মোৰ দৰে ভূত হৈ অনাই-বনাই ফুৰিবা, গোটেই জীৱনকাল ধৰি অশান্তি ভুঞ্জিবা।" এই বুলি কৈয়েই ভূতটো তৎক্ষণাৎ তাৰপৰা নোহোৱা হ'ল।

এই ঘটনাৰ পাছৰপৰা পৰমেশ্বৰে ধোদামি এৰি পৰিশ্ৰমী জীৱনৰ পাতনি তৰি পুত্ৰ-পৰিবাৰৰে সৈতে আনন্দময় জীৱন যাপি সুখৰ মুখ দেখা পাইছিল।



সঠিক কথা

মহিমাপুৰীত মন্দিৰ এটাৰ দুৱাৰমুখতহ বহি এটা মগনিয়াৰে ভিক্ষা কৰিছিল। মগনিয়াৰটোৰ কাষত থকা কাঠৰ তক্তা এচটাত লিখা আছিল : মই অন্ধ. দয়া কৰক। তাৰ সমুখত পৰি থকা এটুকুৰা কাপোৰত দিওঁতাই ভিক্ষাৰ পইচা দলিয়াই দিছিল।

এদিন বাটৰুৱা এজনে তেনেকৈ পইচা দলিয়াই দিয়াত কাপোৰৰ টুকুৰাটোৰ ওপৰত নপৰিল অলপ আঁতৰলৈ উফৰি পৰিল। অন্ধ মগনিয়াৰটোৱে তৎক্ষণাৎ ৰহাৰপৰা থিয় হৈ পইচাটো বুটলি অনি কাপোৰৰ টুকুৰাটোৰ ওপৰত থৈ দিলে।

দিওঁতা মানুহজান এই ঘটনাত ক্ৰুদ্ধ হৈ মগনিয়াটোক ককৰ্থনা কৰি ক'লে, "তুমি দেখোন চকুৰে মনিব পাৰা। তেনেহলেনো অন্ধ বুলি কেলেই লিখি থৈছা তাত? লোকক প্ৰতাৰণা কৰাৰ বাবে তোমাৰ লাজ লগা নাইনে?"

মগনিয়াৰটোয়ে অলপো বিচলিত নহৈ শান্ত কণ্ঠেৰে ক'লে, "আচলতে—লিখোতাইহে ভুল কৰিলে। মই অন্ধ নহওঁ, খোনাহে।"

"তেনেহ'লে—সেই সঠিক কথাটো সঠিক ভাবে লিখাই ল'বা। বুইছা?" এই বুলি কৈ সেই সঠিক কথা কোৱা তথা সেই উপদেশদাতা মানুহজন কোঁ-কোঁৱাই তানপৰা গুচি গ'ল।



অভিশপ্ত পুষ্প

১

আমাৰ দেশৰ ঈশান কোণত এসময়ত মাণিক্যপুৰী নামৰ এখন মহান ৰাজ্য আছিল। এইখন ৰাজ্যত প্ৰতি বছৰত বসন্ত-উৎসৱ পতা হৈছিল। মাণিক্যপুৰীৰ বসন্তোৎসৱ এমাহ জুৰি চলিছিল আৰু অধি ধুমধামেৰে পালন কৰা হৈছিল।

ৰজা প্ৰতাপবৰ্মাদেৱ আছিল মাণিক্য-পুৰীৰ ৰজা। এগৰাকী মহৎ ৰজা ৰূপে প্ৰজাবৰ্গৰ মাজত তেওঁৰ খ্যাতি আছিল। পিতৃদেৱ মহাৰাজ মাণিক্যবৰ্মাৰ কথা মতে কম বয়সতে প্ৰতাপবৰ্মাই সিংহাসনত অধিষ্ঠিত হৈ, এগৰাকী সৎ আৰু সুদক্ষ প্ৰজাপালক সৎ ৰজা ৰূপে সৰু-ডাঙৰ সকলোৰে অতি প্ৰশংসাৰ পাত্ৰ হৈছিল।

মাণিক্যপুৰীৰ ৰজা ৰূপে প্ৰতাপ-বৰ্মাদেৱৰ পঁচিছ বছৰ পাৰ হ'ল। সেইহে, এইবাৰ, ৰাজত্বপ্ৰাপ্তিৰ ৰৌপ্য জয়ন্তী উপলক্ষ্যে বসন্তোৎসৱৰ মহা-সমাৰোহ আয়োজন। এইবাৰ এই উপলক্ষ্যে নানান ধৰণৰ আৰু বিৰাট আকাৰৰ প্ৰতিযোগিতা পতা হ'ব। ক্ৰীড়া, গীত-বাদ্য, সাহিত্য, শিল্পকলা আদি সাংস্কৃতিক অনুষ্ঠান তথা প্ৰতিযোগিতা পতা হ'ব। কৰি-সন্মিলনো পতা হ'ব। পাণ্ডিত্য- প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আৰু তাৰ বাবে—বিভিন্ন ৰাজ্যৰ ক্ৰীড়াবিদ, কলাবিদ, সংগীতবিদ তথা কৰি-সাহিত্যিক-পণ্ডিত সকলৈ প্ৰচুৰ সংখ্যক নিমন্ত্ৰণ-পত্ৰ পঠোৱা হ'ল।

বিভিন্ন ৰাজ্যৰপৰা বিভিন্ন শ্ৰেণীৰ প্ৰতিযোগী সমৱেত হ'লহি। আনকি পাৰ্বত্য-উপজাতিৰো কিছুমান প্ৰতিযোগী আহিল। বিপুল সংখ্যক প্ৰতিযোগীৰ সমাগম হ'ল। দৰ্শক আৰু প্ৰতিযোগীৰ দলংমোপ-হেন্দোলদোপ লাগিল।

প্ৰথমেই আৰম্ভ হ'ল— ক্ৰীড়া-প্ৰতিযোগিতা। বহু দূৰস্থিত এক পৰ্বতীয়া উপজাতীয় সম্প্ৰদায়ৰ যুৱা এজনে—অ ধি ক স ং খ্য ক ক্ৰীড়া-প্ৰতি-যোগিতাত প্ৰথম স্থান অধিকাৰ কৰিলে। প্ৰথমতে এই যুৱাই মল্লযুদ্ধত বিজয়ী হৈছিল। তাৰ পাছত তীৰন্দাজী, যাঠি-খেল লাঠি-খেল গদা-যুদ্ধ আদিতো প্ৰথম স্থান পোৱা হ'ল সেই পৰ্বতীয়া যুৱাই। এই বছৰতে এক নতুন ধৰণৰ খেলা পতা হৈছিল: নাৰিকল এটা লাঠি এড়ালেৰে বহু দূৰলৈ দলিয়াই পঠোৱা। এই খেলতো সেই পৰ্বতীয়া যুৱায়েই প্ৰথম স্থান অধিকাৰ কৰা হ'ল।

ক্ৰীড়া-প্ৰতিযোগিতাৰ অন্তত পুৰস্কাৰ-বিতৰণ। স্বয়ং ৰজা প্ৰতাপবৰ্মাদেৱে বিজেতা সকললৈ পুৰস্কাৰ আগ বঢ়াব। সৰ্বাধিক পুৰস্কাৰপ্ৰাপ্ত সেই পৰ্বতীয়া যুৱাক মহাৰাজে সুধিলে, বোপা, "মই তোমাৰ নামটো সুধিব পাৰোঁনে?"

"মহাৰাজ! মোৰ নাম হ'ল উত্তুংগ।"

পৰ্বতীয়া যুৱকে নম্ৰতাৰে ক'লে আৰু তাৰ পাছত তাৰ নিচেই ওচৰত থিয় হৈ থকা আন কিছুমান যুৱকলৈ আঙুলিয়াই ক'লে, "মহাৰাজ! ইহঁত হ'ল মোৰেই বন্ধু-বান্ধৱ। আপোনাৰ ৰাজ্যৰ বসন্ত-উছৱৰ সমাৰোহ চাবলৈ ইহঁত আহিছে। আৰু এই ক্ৰীড়া-প্ৰতিযোগিতাত এয়ে প্ৰথমবাৰৰ বাবে আমি ভাগ লৈছোঁহি।"

ৰজাৰ মুখত মৃদু হাঁহিৰ আভাস উজ্জলি উঠিল। হঠাৎ উত্তুংগই তাৰ বন্ধু এজনৰ হাতৰপৰা ফুল এথোপা লৈ সুউচ্চ খটখটিয়েদি মঞ্চৰ ওপৰলৈ গৈ থাকিল।

তাৰ হাতত আছিল এথোপা বিচিত্ৰ ফুল। উত্তুংগই খটখটিৰ সিমূৰত মঞ্চোপৰি থিয় হৈ থকা ৰাজকুঁৱৰীৰ হাতলৈ সসন্মানেৰে পুষ্পগুচ্ছ প্ৰদান কৰি ক'লে, "ৰাজকুঁৱৰী! আপুনি যে পুষ্পপ্ৰেমী সেই কথা আমি বহুদিনৰে পৰা ই শুনি আহিছোঁ। এই পুষ্প হ'ল আমাৰ পাৰ্বত্যৰাজ্যৰ এক বিচিত্ৰ পুষ্প। অনুগ্ৰহ কৰি এই বিচিত্ৰপুষ্প গ্ৰহণ কৰক।"

সেই পুষ্পগুচ্ছ ৰাজকুঁৱৰীক প্ৰদান কৰি উত্তুংগ পুনৰ তললৈ নামি আহিল।

ৰাজকুঁৱৰী প্ৰিয়ম্বদাই সেই বিচিত্ৰ পুষ্পগুচ্ছলৈ বৰ মৰমৰ দৃষ্টিৰে চালে আৰু পিতৃক ক'লে, "দেউতা, ইমান ধুনীয়া ফুল মই আগে কেতিয়াও দেখা নাছিলোঁ। এই ফুলৰ পুলি আমাৰ উদ্যানত থাকিব লাগে।"

ৰজা প্ৰতাপবৰ্মাদেৱে জীয়েকৰ কথাত সন্মতিসূচকভাৱে মূৰ দুপিয়ালে।

অলপ সময়ৰ অন্তত পুৰস্কাৰ-বিতৰণী সভাৰ অন্ত পৰিল। ৰজাই সমূহ প্ৰজাক তথা অন্যান্য ব্যক্তিক সম্বোধন কৰি ক'লে, "আমাৰ মৰমৰ প্ৰজাসকল! অন্যান্য ৰাজ্যৰ সন্মানিত ব্যক্তিসকল! আমাৰ বসন্তোৎসৱৰ ইমানতে অন্ত পৰিল। আমাৰ এইবাৰৰ প্ৰতিযোগিতাসমূহৰ মাজত—বিশেষকৈ ক্ৰীড়া-প্ৰতিযোগিতা হৈ উঠিছিল অতি আকৰ্ষণীয়। এই ক্ৰীড়া-প্ৰতিযোগিতাত পৰ্বতীয়া যুৱা উত্তুংগই যি অপৰিমেয় দক্ষতাৰ প্ৰদৰ্শন কৰিলে, সেই দক্ষতাৰ ভূৰি ভূৰি শলাগ নলৈ নোৱাৰি। আমি এতিয়াৰপৰা আমাৰ সেই মায়ংশৃংগ নামৰ পৰ্বতৰ যুৱাসকলক আমাৰ সেনাবাহিনীত লোৱাৰ কথা ঘোষণা কৰিছোঁ। এতিয়া আমাৰ সন্মানিত নিমন্ত্ৰিত অতিথিসকলে, আমাৰ মৰমৰ প্ৰজাবৰ্গয়ো—ৰাজ-পৰিয়ালৰ সৈতে মিলা-প্ৰীতিৰে দিনটো অতিবাহিত কৰক—এয়ে আমাৰ আন্তৰিক ইচ্ছা। আৰু

আমাৰ লৈৰৱীমাতাৰ আশীৰ্বাদ সৰ্বশ্ৰেণীৰ সবধৰ্মৰ জনসাধাৰণৰ ওপৰত বৰ্ষিত হওক—এয়ে মোৰ প্ৰাৰ্থনা।"

ৰজাৰ ভাষণ শেষ হোৱাৰ লগে লগেই তাত উপস্থিত থকা হেজাৰ-বিজাৰে মহাৰাজ আৰু মহাৰাণীৰ, আৰু লগতে ৰাজকুঁৱৰীৰো জয়ধ্বনি কৰি উঠিল।

ৰজা আৰু ৰাজকুঁৱৰী ভিন্ন ভিন্ন ৰথত উঠি ৰাজপ্ৰাসাদলৈ উভতি গ'ল। ৰজাৰ সৈতে সেনাপতি গম্ভীৰসিংহও একেখন ৰথত উঠি গৈ আছিল। ৰাজধানীৰ ৰাজপথৰ দুকাষে শাৰী পাতি থিয় হৈ থকা অসংখ্য জনতাই তেওঁলোকলৈ সংবৰ্ধনা জনালে।

সমগ্ৰ দিন ধৰি, সাঁজ লাগি ভগাৰ আগলৈকে আনন্দ উৎসৱ চলি থাকিল। তাৰ পাছত—ৰাতিৰ পৰতে এই এমাহ জোৰা উৎসৱৰ চূড়ান্তভাৱে অন্ত পৰিল।

পাছদিনা ৰজাই তেওঁৰ সেনাপতি গম্ভীৰসিংহক মতাই অনাই ক'লে, "মায়ং পৰ্বতৰ উত্তুংগ নামৰ যুৱাই যে আমাৰ প্ৰিয়ম্বদাক এবিধ বিচিত্ৰ পুষ্পগুচ্ছ দিছিল দেখিছিলা নিশ্চয়। আমাৰ উদ্যানতো সেই বিচিত্ৰ পুষ্পৰ পুলি ৰুব—এয়ে হ'ল প্ৰিয়ম্বদাৰ মনৰ ইচ্ছা। আমাৰ চিপাহী-বিলাকৰ মাজৰপৰা দুজনমানক সেই মায়ং পৰ্বতলৈ সেই বিচিত্ৰ পুষ্পৰ পুলি আনিবলৈ পঠোৱা। তালৈ গৈ—উত্তুংগ নামৰ যুৱাৰপৰা এই কামৰ বাবে সহায় বিচাৰিবলৈ ক'বা সিহঁতক।"

"আপোনাৰ আদেশ এতিয়াই পালিত হ'ব, মহাৰাজ!" এই কথা কৈয়েই সেনাপতি গম্ভীৰসিংহ তাৰপৰা গুচি গ'ল আৰু তাৰ পাছত ভাল চাই চিপাহী দুজনক বাছি উলিয়াই সেই বিচিত্ৰ পুষ্প সিহঁতক দেখুৱাই, উত্তুংগৰপৰা সহায় লোৱাৰ কথা বুজাই কৈ দিলে।

দেখাত বাস্তৱিকতে বিচিত্ৰ এই পুষ্প চাই চিপাহী দুজনেও বৰ ভাল পালে।

চিন্তিত হৈ উঠিল ঃ কিয়নো সিহঁতৰ ইমান পলম হৈছে ? উত্তুংগই দিয়া সেই পুষ্প-গুচ্ছ—আজি দহ দিনৰ অন্ততো একেদৰেই সতেজ হৈ আছে, যেনিবা এই মাত্ৰহে ছিঙা। এই ফুলথোপালৈ যিমানেই চাই থাকে তেওঁ, সিমানেই চাবৰ মন যায়।

চাওঁতে চাওঁতে তিনি সপ্তাহ পাৰ হৈ গ'ল। তেতিয়াহে বিচিত্ৰ পুষ্পৰ পুলি লৈ চিপাহী দুজন তালৈ উভতি আহিল। চিপাহী দুজনক লগত লৈ সেনাপতি গম্ভীৰসিংহই ৰাজপ্ৰাসাদ পালেহি। ৰজা আৰু ৰাজকুঁৱৰী প্ৰিয়ম্বদাই চিপাহী দুজনক উভতি অহা দেখা পাই অতি আনন্দিত হ'ল। সেনাপতি গম্ভীৰসিংহই চিপাহী দুজনে লৈ অহা সেই বিচিত্ৰ পুষ্প ৰাজকুঁৱৰীক দিলে আৰু ৰজাক ক'লে, "মহাৰাজ! মায়ং পৰ্বতত চিপাহী দুজনে এই ফুল অজস্ৰভাবে ফুলি থকা দেখা পালে, কিন্তু এই ফুলৰ পুলি নাপালে।'

ৰজাই জিজ্ঞাসু দৃষ্টিৰে চিপাহী দুজনলৈ চালে। তেওঁৰ দৃষ্টিত প্ৰশ্ন ঃ কিয় বিচিত্ৰ পুষ্পৰ পুলি পোৱা নগ'ল ?"

চিপাহীদ্বয়ে ৰজাক ক'লে, "মহাৰাজ! আমি অতি কষ্টেৰে মায়ং পৰ্বত আৰু উত্তুংগকো তাত লগ পাইছিলোঁগৈ। সিহঁতে কৈ উঠিল, "এই ফুল দেখাত বাস্তৱিকেই বৰ বিচিত্ৰ আৰু ধুনীয়া।" তাৰ পাছত সিহঁতে তাতেই বৈ থকা ৰাজকুঁৱৰীক ক'লে, "এই বিচিত্ৰ পুষ্পৰ পুলি লৈহে আমি তাৰপৰা উভতি আহিম। আমি এতিয়াই যাত্ৰা কৰিছোঁ, ৰাজকুঁৱৰী! আমাক আশীৰ্বাদ কৰক।" এই বুলি কৈ, চিপাহী দুজনে তেতিয়াই সেই মায়ং পৰ্বতলৈ বুলি ৰাওনা কৰিলে।

মায়ং পৰ্বত পাই চিপাহীহঁত অভিভূত হ'ল তাৰ ফুলময় শোভা দেখি। তাত সিহঁতৰ এসপ্তাহ পাৰ হ'ল, কিন্তু সিহঁত মাণিক্যপুৰীলৈ ঘূভতিল। ৰাজকুঁৱৰী

আমাক তাত পাই উত্তুংগয়ো অতি আনন্দিত হৈছিল। এই বিচিত্ৰ পুষ্পৰ পুলিবোৰ আকাশৰ উৰ্ধত বহু ওলমি আছে, আৰু এই আকাশলংঘা ফুলপুলি চুকি পোৱাৰ বাহিৰত। তাৰ মানুহে এই ফুলক 'বিজুলী ফুল' বুলি কয়। এই ফুলৰ উজ্জ্বলতাৰ বাবেহে এই ফুলৰ এই নাম। এই ফুল এশ বছৰত মাত্ৰ এবাৰহে ফুলে। সেইহে এই ফুলক 'শতাব্দী পুষ্প' বুলিও তাত কোৱা হয়। সেই ঠাইৰ মানুহে এই ফুল ফুলি থকাৰ দৃশ্য এয়েহে হেনো প্ৰথমবাৰৰ বাবে দেখি আছে। এই ফুল ফুলাৰ আগে আগে ইয়াৰ পুলিবোৰ হেনো জোপোহাৰ দৰে হয়—আৰু ফুল ফুলোঁতে হেনো দুবছৰ সময় লয়। এই কথা সেই ঠাইৰ মথিয়নসৰে আমাক কৈছে। মহাৰাজ! আমাৰ ৰাজকুঁৱৰী যাতে হতাশ-নিৰাশ নহয়, তাৰ কাৰণে আমি এই ফুলৰ পুলি এজোপা বহু কষ্টেৰে কটোৱাই কোনোমতেহে এইখিনি ফুল লৈ আহিছোঁ। পুলি লৈ আহিব নোৱাৰি আমাৰেই বেয়া লাগি গৈছে। কিন্তু মহাৰাজ! সেই কাম একোপধ্যে সম্ভৱ নহয় যে—তাৰ বুঢ়া মেথাসৰেও আমাক কৈছে। কেনেবাকৈ পুলি এজোপা লৈ যামেই বুলি ইমান দিনলৈ তাত বৈ

থকা হ'লোঁ। কিন্তু মহাৰাজ! আমি ব্যৰ্থ হৈ উভতি আহিলোঁ।"

চিপাহী দুজনৰ কথা শুনি ৰজা প্ৰতাপ বৰ্মাদেউ অতিপাত বিস্মিত হ'ল। তেওঁ অলপ পৰলৈ গভীৰ ভাবে ভাবি থাকিল আৰু তাৰ পাছত কৈ থাকিল, "বৰ বিস্ময়কৰ কথা…বৰ বিস্ময়জনক কথা…। ঠিক আছে, দু বছৰৰ অন্তত যেতিয়া পুনৰ এই পুলি ওলাব, তেতিয়া যেনেতেনে তাৰপৰা সেই পুলি আনি আমাৰ উদ্যানত ৰুই দিয়া হ'ব।"

"সেই পুলিত যেতিয়া এশ বছৰৰ অন্তত এই পুষ্প প্ৰস্ফুটিত হ'ব—তেতিয়া

মই নিশ্চয় তাৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ এইখন পৃথিৱীত আৰু জীয়াই নাথাকিম।” অতি হতাশ নিৰাশ কণ্ঠেৰে ৰাজকুঁৱৰী প্ৰিয়ম্বদাই ক'লে।

ৰজা প্ৰতাপবৰ্মাদেৱে সেই চিপাহী দুজনক ক'লে, “তোমালোকে বহু কষ্টেৰে তালৈ গৈ এই বিচিত্ৰ পুষ্পৰ বিষয়ে বহুতো বাতৰি কঢ়িয়াই আনিলা, আৰু লগতে ভালেখিনি ফুলো লৈ আহিলা। তোমালোকৰ এনে সাহসিক কাৰ্য্যৰ বাবে মই তোমালোকৰ ওচৰত কৃতজ্ঞ।”

সেনাপতি গম্ভীৰসিংহই চিপাহীদ্বয়ক লগত লৈ তৎক্ষণাৎ তাৰপৰা ওলাই গ'ল।

চিপাহী দুজনে মায়ং পৰ্বতৰপৰা লৈ অহা সেই বিচিত্ৰ পুষ্পৰ কথা সকলোতে প্ৰচাৰিত হৈ পৰিল।

ৰাজগুৰু গৌৰীনাথ শাস্ত্ৰীদেউয়ে যেতিয়া এই ‘শতাব্দী পুষ্প'ৰ কথাটো শুনিলে, তেতিয়া তেওঁ চঁক খাই উঠা যেন হ'ল।

ৰজা প্ৰতাপবৰ্মাৰ শিক্ষাগুৰু আছিল এইগৰাকী ৰাজগুৰু গৌৰীনাথ। তেওঁ তেওঁৰ সাঁচিপতীয়া পুথিবোৰ মেলি বহুতো পৰলৈকে পঢ়িলে, পৰীক্ষা-নিৰীক্ষা কৰিলে। আৰু তাৰ পাছত তেওঁ পোনে পোনেই তেওঁৰ প্ৰিয় ছাত্ৰ প্ৰতাপৰ ওচৰলৈ গ'ল। তেতিয়া ৰাতি ভালেখিনিয়েই হৈছিল।

এনে অসময়ত ৰাজগুৰুক ৰাজপ্ৰাসাদত দেখা পাই ৰজা প্ৰতাপবৰ্মাদেৱ অতিশয় বিস্মিত হ'ল।

ৰাজগুৰু গৌৰীনাথে ৰজাক ক'লে, “প্ৰতাপ! শতাব্দী পুষ্পৰ পুলি পালেও তোমাৰ ৰাজ্যৰ ক'তো নুৰুবা। এই পুষ্প ভয়ানক অমংগলীয়া।”

“অমংগলীয়া!”

প্ৰতাপবৰ্মাদেৱৰ চুচকুত অবিশ্বাসৰ ছায়া ফুটি উঠা দেখি ৰাজগুৰু গৌৰীনাথে মিচিকীয়াই হাঁহিলে মাথোন। [আগলৈ



আত্ম-প্ৰৱঞ্চনা

অটল প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই পুনৰ সেই গছজোপাৰ কাষ চাপিল আৰু গছৰ ডালৰপৰা ওলমি থকা শ'টোনমাই আনি কান্ধত পেলাই লৈ ঘোৰ আউসীৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া, শ'টোৰ মাজত থকা বেতালে লৰচৰ কৰি উঠি ক'লে, "হে ৰজা! কাৰ্য্য সাধিবৰ আপ্ৰাণ চেষ্টাও কেতিয়াবা ব্যৰ্থ হয়। নিজক বিবেকৱান বুলি ভবা ব্যক্তিয়েও কেতিয়াবা অবিবেকী সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁলোকে একপ্ৰকাৰে আত্মপ্ৰৱঞ্চনা কৰা হয়। মোৰ এই কথাৰ উদাহৰণস্বৰূপে আজি তোমাক মই মহাৰাজ বিশালবৰ্মাৰ কাহিনী ক'ম। সেই কাহিনী শুনি শুনি বাট বুলিলে তোমাৰ পথশ্ৰম অন্ততঃ লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

মহাৰাজ বিশাল বৰ্মাদেউ আছিল বৈশালিনী ৰাজ্যৰ ৰজা। তেওঁৰ আছিল এগৰাকী—ভনীয়েক। মহাৰাজৰ এই ভনীয়েক জনীয়ে এজনী কন্যা সন্তানৰ জন্ম দিয়াৰ পাছত ঢুকাল। মহাৰাজ বিশালবৰ্মাই তেওঁৰ ভিনিহীয়েকৰপৰা অনুমতি লৈ ভনীয়েকৰ কন্যাসন্তানটিক লালন-পালন কৰি থাকিল। এই কন্যা-সন্তানটিক নাম বৈশালী।

মহাৰাজ বিশালবৰ্মাৰ একমাত্ৰ পুত্ৰ বিজয়বৰ্মাৰ সৈতে বৈশালীও ডাঙৰ-দীঘল হৈ থাকিল। মহাৰাজৰ ইচ্ছা: ডাঙৰ হোৱাৰ পাছত পুত্ৰ বিজয়ৰ সৈতে এইজনী বৈশালীৰ বিয়া পাতিব।

কিছুদিনৰ অন্তত মহাৰাজে তেওঁৰ পুত্ৰ বিজয়ৰ আগত তেওঁৰ মনৰ এই ইচ্ছাৰ কথা প্ৰকাশ কৰিলে: বিজয়ে বৈশালীক বিবাহ কৰাব লাগে।

কিছু সময়লৈ মৌন হৈ থকাৰ অন্তত বিজয়ে বিনম্ৰ কিন্তু অতি স্পষ্ট ভাষাৰে মহাৰাজক ক'লে, "বৈশালীৰ মাজত সাধাৰণ সহধৰ্মিণী হোৱাৰ গুণ হয়তো নথকা নহয়, কিন্তু কোনোবা দেশ ভাবী ৰজা এগৰাকীৰ ৰাণী হোৱাৰ যোগ্যতা হয়তো তাইৰ মাজত নাই।"

"ৰাণী এজনীৰ মাজত কিয় আৰু কি বেলেগ যোগ্যতা থাকিব লাগে—মই নাজানো। আৰু—সেই যোগ্যতা যদি আমাৰ এনে গুণৱতীজনী বৈশালীৰ মাজত নাই—কাৰ মাজত আছে বুলি তুমি ভাবা?" মহাৰাজে পুত্ৰ বিজয়ক স্পষ্টকৈ কথাষাৰ সুধিলে।

ৰাজপুত্ৰ বিজয়ে সামান্য ক্ষণলৈ চিন্তা কৰি ক'লে, "মোৰ লগত একে লগে পঢ়া লিখা কৰা আমাৰ সেনাপতিৰ পুত্ৰী সৌমিত্ৰীৰ মাজত এই যোগ্যতা পূৰ্ণমাত্ৰাই আছে বুলি মই ভাবোঁ, মোৰ এই মন্তব্যৰ বাবে মোক ক্ষমা কৰিব।"

পুত্ৰৰ কথাত মহাৰাজৰ গাত জুই

লাগিল। কিন্তু তথাপি তেওঁ নিজক সংযত তথা প্ৰশমিত কৰি সুধিলে, "কি ক'লা? কিহতনো সৌমিত্ৰী বৈশালীতকৈ যোগ্য? দেখাত? আচাৰ-আচৰণত? তাইৰ অধিক যোগ্যতা কি কথাত?

বিজয়ে অতি শান্ত কণ্ঠেৰে ক'লে, "দেউতা, এই সমস্যাৰ সমাধানৰ উপায় এটা ময়ো ভাবি উলিয়াইছোঁ। মই আপোনাক কাহিনী এটি ক'ম। কাহিনীভাগ কোৱাৰ অন্তত মই কেইটিমান প্ৰশ্ন সুধিম। সেই প্ৰশ্নৰ উত্তৰ আপুনি দিব নালাগে। আপুনি—বৈশালী আৰু সৌমিত্ৰীক একে লগে বহুৱাই এদিন এই কাহিনীভাগ ক'ব, আৰু তাৰ পাছত মই আপোনাক কৈ দিয়া মতে এই প্ৰশ্নবোৰ সুধিব। সিহঁত দুজনীয়ে যি উত্তৰ দিব, মই আশা কৰিছোঁ. তাৰেপৰাই আপোনাৰ সমস্যাৰ সঠিক সমাধানও ওলাব।"

ৰাজপুত্ৰ বিজয়বৰ্মাই মহাৰাজ বিশাল-বৰ্মাদেৱক সেই কাহিনীভাগ আৰু লগতে বৈশালী আৰু সৌমিত্ৰীক সুধিবলগীয়া প্ৰশ্নসমূহো ক'লে।

পাছদিনাই মহাৰাজে বৈশালী আৰু সৌমিত্ৰীক একে লগে এঠাইত বহুৱাই লৈ দুয়োজনীক ক'লে, "বহাঁ, আৰু মোৰ এই কথাখিনি মনপুতি শুনা। মই তোমালোকক কাহিনী এটি ক'ম। অতি মনযোগেৰে কাহিনীভাগ শুনিবা।"

মহাৰাজে কৈ থাকিল পুত্ৰ বিজয়বৰ্মাই তেওঁক কোৱা সেই বিচিত্ৰ কাহিনী:

সুপ্ৰাচীন কালত অৱন্তী ৰাজ্যত ৰজা সিংহকেতুৱে শাসন কৰিছিল। ৰজা সিংহকেতুৰ দুজনী পত্নী আছিল। বংশৰ ৰীতি মানি বিবাহ কৰাই অনা স্বৰ্ণলতা আছিল ডাঙৰ পত্নী আৰু কিবা ধৰণৰ বিশেষ গুণ থকা দেখা পাই আকৰ্ষণ বোধ কৰি বিয়া কৰোৱাজনীৰ নাম আছিল শ্ৰীলেখা।

পত্নীৰ কথাৰ উত্তৰত বিস্মিত মহাৰাজে কিবা ক'বলৈ মুখ মেলোঁতেই স্বৰ্ণলতাই মহাৰাজক বাধা দি কৈ উঠিল, "ময়ো কিন্তু শ্ৰীলেখাৰ দৰে তৰৱাৰি-চালনা আৰু অশ্ব-চালনাও জানো।"

মহাৰাজে মৃদুকৈ হাঁহিৰে পত্নী স্বৰ্ণলতাক ক'লে, "ঠিক আছে, তোমাৰ অভিপ্ৰায় মতেই কাম হ'ব। এই বিষয়ে কোনো দুশ্চিন্তা নকৰিবা।"

এদিন পুৰুষ বেশ ধাৰণ কৰি স্বৰ্ণলতাই তেওঁৰ পতিৰে সৈতে অৰণ্যলৈ গ'ল মৃগয়ালৈ অৰ্থাৎ চিকাৰৰ বাবে। মৃগয়া যি হ'ল-নহ'ল—ৰজা আৰু বিশেষকৈ পুৰুষবেশী ৰাণী স্বৰ্ণলতা অতিপাত ভাগৰি পৰিল। গৈ গৈ তেওঁলোক হাবিয়লীয়া ভীল-পৰিয়াল বসবাস কৰি থকা জুপুৰী এখন পালেগৈ।

ভীল গৃহস্থ-গৃহস্থনীয়ে মহাৰজা-মহাৰাণীক আথেবেথে বহিবলৈ দিলে আৰু দুটা ডাঙৰ আকাৰৰ বাটিত এবিধ নতুন ধৰণৰ খোৰাবস্তু খাবলৈ দিলে।

ৰজা সিংহকেতুৱে সেই মাটিৰ বাটিত থকা খোৰাবস্তু খাই থাকিল। স্বৰ্ণলতায়ো খাবলৈ ল'লে, কিন্তু তেওঁ সহজভাবে খাব নোৱাৰিলে।

ৰজাই সেই নতুন ধৰণৰ খোৰা-

স্বৰ্ণলতাৰ ধাৰণা: ৰজাই সৰুজনী ৰাণী শ্ৰীলেখাকহে অধিক মৰম কৰে। এই কথাত স্বৰ্ণলতাৰ মনত জুই। ঈৰ্ষাৰ জুই। আৰু বেদনা। কিয়নো—শ্ৰীলেখা হ'ল মহাৰাজৰ অধিক আপোন। শ্ৰীলেখাই পুৰুষৰ বেশ ধাৰণ কৰি মহাৰাজৰ লগত ঘূৰি ফুৰে—ৰাজকাৰ্য্যাতো ভাগ লয়।

বহুদিনৰ অন্তত স্বৰ্ণলতায়ো এদিন ভাবিলে: ময়ো পুৰুষ বেশ ধাৰণ কৰি মহাৰাজৰ কাম-কাজত হাত উজান নিদিওঁ কিয়?

ভবা মতে কথাটো এদিন স্বৰ্ণলতাই মহাৰাজক কৈয়েই পেলালে।

বস্তুখিনি পূৰাপূৰিকৈ খালে আৰু ভীল পত্নীজনীক নম্ৰতাৰে ক'লে, "এই উপাদেয় খোৰাবস্তুখিনি খাবলৈ অতি সোৱাদ। বাৰু, অলপমান—বনৰ মৌ খাবলৈ পাম্নে আমি?"

আচলতে এই মৌ আছিল একপ্ৰকাৰ মদেই। যি হওক—ৰজাই মৌ খাই, ভীল গৃহস্থ-গৃহস্থনীৰপৰা বিদায় লৈ, এসময়ত পুনৰ ৰাজধানীলৈ বুলি আগ বাঢ়িল।

স্বৰ্ণলতাই সেই নতুনবিধৰ খোৰাবস্তু বনোৱাৰ প্ৰণালী ভীল-তিৰোতা-জনীৰপৰা উত্তমৰূপে জানি লৈছিল।

সাদিনমানৰ পাছত মহাৰাণী স্বৰ্ণলতাই ৰজাক সোণৰ বাটি এটাত কিবা এবিধ খাদ্যবস্তু খাবলৈ দিলে আৰু ক'লে, "আপুনি সিদিনা ভীলহঁতৰ ঘৰত যি বস্তু খাইছিল, এই বস্তুখিনিও সেই বস্তুৱেই।"

ৰজা সিংহকেতুৱে মৃদুকৈ হাঁহিৰে খাদ্যৰ বাটিটো মেজৰ ওপৰত থৈ দিলে আৰু নিজৰ কণ্ঠৰ মূল্যৱান হাৰ এধাৰ পত্নীৰ কণ্ঠত পিন্ধাই দিওঁতে ক'লে, "মোৰ প্ৰতি তোমাৰ মনত থকা শ্ৰদ্ধা আৰু মৰমৰ এই চিনাকি পাই মই মুগ্ধ হৈছোঁ। তুমি যদি এনে কোমল অন্তঃকৰণৰে অন্তেষপুৰতে থাকা, বৰ ভাল হ'ব। মোৰ লগত পুৰুষবেশেত ঘূৰি ফুৰাটো তোমাৰ পক্ষে বৰ ভাল কাম নহয়।"

স্বামীৰ কথাখিনি শুনি ভাল পাব



লাগেনে দুঃখিত হ'ব লাগে—স্বৰ্ণলতাই বুজি নাপাই—মনে মনে থাকিল।

এই কাহিনী কোৱাৰ অন্তত বিশাল বৰ্মাদেৱে বৈশালী আৰু সৌমিত্ৰীক সুধিলে, "মোৰ মনত এক সন্দেহই উক দিছে। ৰজা সিংহকেতুৰ আচৰণৰপৰা এই কথা ওলাই পৰিছে যে স্বৰ্ণলতা আৰু শ্ৰীলেখাৰ আচাৰ-আচৰণ যথেষ্ট বিপৰীত ধৰ্মী, অৰ্থাৎ পৰস্পৰবিৰুদ্ধ। কিন্তু সিংহকেতুৰ আচৰণ সঠিক আছিলনে?"

বৈশালীয়ে লগে লগে কৈ উঠিল, "ৰজা সিংহকেতুৰ আচাৰ-আচৰণ স্বৰ্ণলতাৰ প্ৰতি যে সঠিক নাছিল, সেই কথা দেখ দেখ সঁচা। তেওঁৰ সুয়োগৰাকী ৰাণীয়েই অশ্ব আৰু তৰৱাৰি-চালনা জানিছিল। কিন্তু তেওঁ ৰাণী শ্ৰীলেখাক নিজৰ লগত ঘূৰি ফুৰিবলৈ নিছিল আৰু স্বৰ্ণলতাক অন্তেষপুৰতে বন্দিনীহেন থৈ দিছিল। ইয়াৰেপৰাই তেওঁৰ পক্ষপাতিতাৰ বিষয়টো দেখ দেখকৈ ওলাই পৰে।"

এইবাৰ মহাৰাজ বিশালবৰ্মাদেৱে সৌমিত্ৰীক সুধিলে, "আই, এই বিষয়ে তোমাৰ বক্তব্যনো কি?"

সৌমিত্ৰীয়ে মিচিকীয়াই হাঁহিলে আৰু ক'লে, "ৰজা সিংহকেতুৰ আচৰণ সঠিকেই আছিল। তেওঁৰ আচৰণৰপৰা তেওঁৰ শাসন-কুশলতা আৰু মানৱতাবাদী—গুণ প্ৰকাশিত হৈছে, মহাৰাজ!"

এই ঘটনাৰ এমাহৰ অন্তত মহাৰাজ বিশালবৰ্মাদেৱে সৌমিত্ৰী আৰু বিজয়ৰ বিবাহ মহা সমাৰোহৰে পাতি দিলে আৰু বিজয়ৰ ওপৰত ৰাজ্যভাৰো অৰ্পিলে।

এই কাহিনীভাগ কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, বৈশালী আৰু সৌমিত্ৰীৰ উত্তৰৰ মাজত কিনো ইমান পাৰ্থক্য আছিল—যাৰ কাৰণে সৌমিত্ৰীৰ উত্তৰ শুনি ৰজা সিংহকেতুৱে সন্তুষ্টি লভিছিল? একেদৰেই—এই কথাটোও সুধিব পাৰি যে—ৰজা

সিংহকেতুৰে শ্ৰীলেখাৰ প্ৰতি অধিক পক্ষপাতিত্ব প্ৰদৰ্শন কৰিছিল কিয়? ৰজাৰ এনে আচৰণক সঠিক আচৰণ বুলি ক'ব পাৰিনে? মহাৰাজ বিশালবৰ্মাই সৌমিত্ৰীৰ উত্তৰত তুষ্ট হৈ তাইক কিয় বোৱাৰী হিচাপে লৈছিল? পুত্ৰৰ কথা ভাবিয়েই বিশালবৰ্মাদেৱে এই ক্ষেত্ৰত এনে আত্মপ্ৰবঞ্চনা কৰিছিলনে? এইবোৰ প্ৰশ্নৰ সঠিক উত্তৰ যদি জানিও নিদিয়া—তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি ধ্ৰুৱকৈ জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "সাধাৰণ মানুহ আৰু এগৰাকী ৰজা-মহাৰজাৰ আচৰণৰ মাজত প্ৰভেদ-পাৰ্থক্য থাকিবই। এজন সাধাৰণ মানুহৰ পৰিমণ্ডল হ'ল নিচেই ক্ষুদ্ৰ—সীমিত, কিন্তু এগৰাকী ৰজাৰ ক্ষেত্ৰত দেশখনেই হ'ল তেওঁৰ পৰিয়াল। ভীল-তিৰোতাজনীয়ে দিয়া নতুন ধৰণৰ খোৱাবস্তু ৰজাই খাই মুঠেই ভাল পোৱা নাছিল। কিন্তু তথাপি—বৃহত্তৰ স্বাৰ্থত তেওঁ খাবলগীয়া হৈছিল যে—সেই কথা ৰাণী স্বৰ্ণলতাই বুজি পোৱা নাছিল। কিন্তু ৰজা সিংহকেতুৰ প্ৰতিটো আচাৰ-আচৰণৰ সঠিক তাৎপৰ্য্য শ্ৰীলেখাইহে বুজি পাইছিল। এই অদ্ভুত কাহিনীত বিজয়বৰ্মা হৈছিলগৈ সিংহকেতু। আৰু সৌমিত্ৰী হল শ্ৰীলেখা। এই প্ৰতীকৰ কথা উপলব্ধি কৰি মহাৰাজ বিশাল-বৰ্মাদেৱে যি আচৰণ কৰিছিল—তাক পক্ষপাতিতাহীন সঠিক আচৰণ বুলি ক'ব পাৰি, আত্মপ্ৰবঞ্চনা বুলি ক'ব নোৱাৰি।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উভতি গ'ল আৰু শ'টো সেই আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডালত পুনৰ ওলোমাই থোৱা হ'ল।

[কল্পিত

চান্দমামাৰ সম্বাদ

এইবাৰ তিনিজন বালক হ'ল চান্দমামাৰ সম্বাদৰ সমল। তিনিও আমেৰিকাৰ অধিবাসী। এই তিনিওজনৰ মাজত ডাঙৰ হ'ল ভাৰতৰ কেৰল ৰাজ্যৰপৰা আমেৰিকালৈ অহা ভাৰতীয় পৰিয়ালৰ।

আশা-জ্যোতি

বিগত ২০ জানুৱাৰিৰ দিনা আমেৰিকাৰে নতুন ৰাষ্ট্ৰপতি বিল ক্লিন্‌টনৰ পদাভিষিক্ত হোৱাৰ অনুষ্ঠানলৈ আমন্ত্ৰিত মুখ্য পঞ্চাছ জন আমন্ত্ৰিতৰ মাজত এজন আছিল উনৈছ বছৰীয়া ৰোজাৰ কুইটন। এই ৰোজাৰ কুইটনক ৰাষ্ট্ৰপতি বিল ক্লিন্‌টনে, 'আশা-জ্যোতি' বুলি আখ্যা দিছিল। ভাৰতৰ কেৰলৰাজ্যৰপৰা আমেৰিকালৈ গৈ তাতে স্থায়ীভাৱে বসবাসকাৰী ডাক্টৰ অনু কটনৰ পুত্ৰ হ'ল ৰোজাৰ। ৰোজাৰে কৈছিল : 'ৰাষ্ট্ৰপতিৰ নিমন্ত্ৰণ পাই মই, মা, দেউতা আৰু আমাৰ ভনীজনৰো বিস্ময়ৰ অন্ত নোহোৱা হৈছিল। মা-ই কিছু সময়লৈ হতবাক হৈ পৰিছিল।'

ৰোজাৰৰ প্ৰকৃত নাম হ'ল—'ৰাজু'। তাৰ ৩ বছৰীয়াতে সি মোটৰগাড়ীৰ নম্বৰ অতি সঠিককৈ মনত ৰাখিব পাৰিছিল, কেতিয়াও পাহৰি যোৱা নাছিল। তাৰ দেউতাকে হাৰকিন্স বিশ্ববিদ্যালয়লৈ তাক লৈ গৈছিল তাৰ মেধা তথা স্মৃতিশক্তিৰ পৰীক্ষাৰ বাবে। গণিতত ৯০% পাই, তাৰ ন-বছৰ বয়সত ৰোজাৰে গণিতশাস্ত্ৰত ডিপ্লোমা পাইছিল। তাৰ পাছত ওৱালষ্ট্ৰিট'ৰ কিছু সংখ্যক কোটিপতি 'মানি-ম্যনিজাৰ'ৰ কাম কৰিছিল। এতিয়া ৰোজাৰ ৰাষ্ট্ৰপতি বিল ক্লিনটনৰ আৰ্থিক উপ:দষ্টাবৰ্গৰ অন্যতম সদস্য!

আমেৰিকাৰ চৰকাৰলৈ অনুদান

আমেৰিকাৰ উত্তৰ ডাকোটা-ফাৰগো'ৰ 'ল্যাৰি বিল্‌লেলা' নামৰ ল'ৰাটোৰ বয়স মুঠেই চৌধ্য বছৰ। সি গছ-পুলিৰ ব্যৱসায়ত যিখিনি আৰ্জিছিল, তাৰপৰা আমেৰিকাৰ চৰকাৰলৈ সি ১,০০০ ডলাৰ অনুদান প্ৰেৰণ কৰিলে। নতুন ৰাষ্ট্ৰপতিয়ে চৰকাৰৰ ব্যয়-নিৰ্বাহৰ বাবে ৰাইজৰপৰা অনুদানৰ বাবে যি আবেদন কৰিছিল, ১৪ বছৰীয়া ল্যাৰিয়ে নিজৰ উপাৰ্জনৰপৰা উক্ত ডলাৰখিনি বিদ্যাশিক্ষা আৰু অনুসন্ধানত-কাৰ্য্যত ব্যয় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

নাওমান প্ৰকাশক

আমেৰিকাত 'লেট নাইট' টি ভি-কাৰ্য্যক্ৰমৰ নিৰ্বাহক ডেভিড লেটাৰছনে গ্ৰেনি এল্লিনৰ ব্ল্যাক স্যাংকি নামৰ দহ বছৰীয়া ল'ৰা এটিৰ সাক্ষাৎ গ্ৰহণ কৰিছে। ল'ৰাটি চতুৰ্থমানৰ ছাত্ৰ আৰু 'আউট অব্ দ ওৱাৰ্ল্ড' নামৰ এখন বাতৰি-কাকত যোৱা চাৰি বছৰৰপৰা চলাই থকা হৈছে। সমগ্ৰ পৃথিৱীতে এইখন বাতৰি-কাকতৰ গ্ৰাহক আছে। সাক্ষাৎকাৰ গ্ৰহণকাৰী ডেভিডো সেইসকল গ্ৰাহকৰ মাজৰে এজন!

চান্দমামা ক্ৰোড়পত্ৰ-৫৪

ভাৰতৰ পশু-পক্ষী ঃ

মেকুৰী-পৰিয়ালৰ-মিতিৰ

বাঘৰ দৰেই নাহৰফুটুকীবো গাত ক'লা-হলধীয়া দাগ থাকে। কুকুৰনেচীয়াবিলাকৰ গাতো বাঘ-প্ৰজাতিৰ লা-লক্ষণ নথকা নহয়। কুকুৰনেচীয়াৰ নেগুৰত ঘূৰণীয়াবিধৰ দাগ পৰিলক্ষিত হয়। নাহৰফুটুকী, বা কুকুৰনেচীয়াবোৰ বাঘতকৈ সৰু আকৃতিৰ। এইবোৰ মোটামুটি ভাবে ২০০ ছেনটি-মিটাৰৰপৰা ২১৫ ছেনটিমিটাৰলৈকে দীঘল হয়। নাহৰফুটুকী আৰু কুকুৰনেচীয়াবো গাৰ বৰণ হালধীয়া। ক'লা-বৰণৰ কুকুৰনেচীয়া অতি কম সংখ্যাত পৰিদৃষ্ট হয়। ভাৰতবৰ্ষত বাঘৰ সংখ্যা যথেষ্ট হ্ৰাস হোৱা দেখা গৈছে। কিন্তু কুকুৰনেচীয়া বা নাহৰফুটুকীইঁত কেনেবাকৈ হ্ৰাস হোৱাৰপৰা ৰক্ষা পৰিছে। সমগ্ৰ ভাৰততে নাহৰফুটুকী আৰু কুকুৰনেচীয়া দেখিবলৈ পোৱা যায়। ইইঁতক খেতি-পথাৰতো ঘূৰি ফুৰা দেখা যায়।

হিমালয়ৰ নাহৰফুটুকীবোৰ দুবিধৰ হয়। পূৰ্ব-হিমালয়ৰ নামনি-অঞ্চলত মটীয়া বৰণৰ নাহৰ-ফুটকীও পৰিলক্ষিত হয় আৰু বৰফাচ্ছাদিত হিমালয় প্ৰান্তত যি বৰফৰ নাহৰফুটুকী (স্নো লেপাৰ্ড) দেখা যায়, সিইঁতৰ বৰণ হয় বগা। এই বগা নাহৰফুটুকী দেখাত অতি সুন্দৰ আৰু ইইঁতৰ পাছাডাল অতি উচ্চমূল্যত বিক্ৰি হোৱা কাৰণে চোৰাং চিকাৰীইঁতৰপৰা ইইঁতৰ বিপদ সৃষ্টি হৈছে। ইইঁতৰ আকাৰত সৰু। ইইঁতৰ দৈৰ্ঘ্য ১০০—১১০ ছেন্‌টিমিটাৰ।

লোক-কথাত মেকুৰীক বাঘৰ মাহীয়েক বুলি কোৱা হৈছে। যদিও মেকুৰীইঁতে বাঘক যে কিয় গছ বগোৱা নিশিকোৱা হ'ল—জনা নাযায়। অৱশ্যে—নাহৰফুটুকীবিলাৰ এই বিদ্যা আছে।



সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

নিমজ এন্ধাৰ নিশা। এজন অকলশৰীয়া বাটকৰুৱাই ধীৰ পদক্ষেপেৰে গৈ আছে। হঠাৎ এই বাটৰুৱাজনক এদল ডকাইতে চাৰিওফালৰপৰা আগুৰি ধৰিলে। এই ডকাইতৰ দলটোৱে ওচৰৰে গাঁও এখনলৈ ডকাইতি কৰাৰ মনেৰে গৈ থকাৰ কথা বাটৰুৱাজনে উমানতে জানিব পাৰিলে।

"ৰ'বা!"

ডকাইতৰ চৰ্দাৰে বন্দুক দাঙি চিঞৰি উঠি ক'লে, "অলপো লৰ-চৰ কৰিছা যদি—

ঝবেৰচন্দ্ৰ : ৰবিশংকৰ মহাৰাজ 'মন্সায়ং-না-দিৱা'

তোমাক যে নিশ্চয় গুলীয়াই মাৰিম সেই কথাৰ কিন্তু ইফাল-সিফাল নহ'ব।"

তাৰ পাছত ডকাইত-চৰ্দাৰটোৱে পুনৰ বাটৰুৱাজনক সুধিলে, "কোন তুমি?"

"মই এজন বিপ্লৱকৰ্মী। আমাৰ দেশ বিদেশী বৃটিছে দখল কৰি অন্যায় শাসন চলাইছে। এই বৃটিছ তথা ইংৰাজ-অত্যাচাৰী শাসকহঁতৰ বিৰুদ্ধে মই যুঁজি আছোঁ। সাধাৰণ অবোধ-নিমাখিত জনসাধাৰণক আমি কেতিয়াও অনিষ্ট নকৰোঁ।" অকশৰীয়া বাটৰুৱাজনে ডকাইত-চৰ্দাৰক ক'লে।

"আমিও সাধাৰণ মানুহৰ কোনো অনিষ্ট কৰাত নাই। কিন্তু ধনী-বদমাছবিলাকে আমাৰপৰা ৰেহাই নাপায়।" ডকাইত-চৰ্দাৰে ক'লে।

"তোমালোকে সঁচাসঁচিকৈয়েই সাধাৰণ মানুহৰ অনিষ্ট নকৰা জানো? কথাটো নিজক নিজেই সুধি চোৱাচোন—। কিন্তু এই কথা যদি সঁচা, তেনেহ'লে—সাধাৰণ মানুহবিলাক তোমালোকৰ নাম শুনিলেও ভয়ত কঁপি উঠে কিয়? কিয় তোমালোক গাঁৱলৈ সোমোৱাৰ কথা শুনামাত্ৰেই তেওঁলোকে তেওঁলোকৰ ঘৰ-দুৱাৰ এৰি জংগললৈ পলাই যায়? তোমালোকৰ ভয়ত তেওঁলোকে যে শান্তিৰে কোনো কামেই কৰিব নোৱাৰে, নিশ্চয় তুমিও কথাটো জানা। এইবোৰক 'অনিষ্ট কৰা' বুলি নকৈ 'ইষ্ট' বুলি ক'মনে?" বাটৰুৱাজনে ডকাইতৰ চৰ্দাৰক সুধিলে!

এইবোৰ কথাত বাদ-বিসম্বাদ বহুতো পৰলৈকে চলি থাকিল ডাকইত-চৰ্দাৰ আৰু বাটৰুৱাজনৰ মাজত। শেহান্তৰত, ডকাইত-চৰ্দাৰে নিজৰ কথাৰ সমৰ্থনত বিশেষ যুক্তি বিচাৰি নাপালে। চৰ্দাৰে নিজৰ কুকৰ্মৰ বাবে কিঞ্চিত যেন লজ্জিত হ'ল, অনুতপ্তো

হ'ল। কিন্তু ধীৰে ধীৰে চৰ্দাৰৰ মাজত কিবা ধৰণৰ পৰিৱৰ্তনৰো সৃষ্টি হ'ল। বাটকুৰাজনে পুনৰ খোজ ল'লে। ডকাইত-চৰ্দাৰেও ডকাইতিৰ আঁচনি বাদ দি দলে-বলে ডেৰা-মুৰা (ঘৰমুৰা) হ'ল। যিখন গাঁৱত ডকাইতি কৰাৰ কথা আছিল, সেইখন গাঁৱৰ ৰাইজে এইদৰে ডকাইতৰ অত্যাচাৰৰপৰা ৰেহাই পালে।

এই বাটকুৰজৰাকী আছিল এগৰাকী মহান সমাজসেৱী তথা সমাজ-সংস্কাৰক। এওঁ আছিল গুজৰাটৰ প্ৰখ্যাত সমাজ-সেৱক ৰবিশংকৰ মহাৰাজ।

১৯২৭ চনত—জনসাধাৰণে এই কথা পৰিপূৰ্ণৰূপে বিশ্বাস কৰিছিল যে ৰবিশংকৰ মহাৰাজ আছিল অলৌকিক শক্তিসম্পন্ন ব্যক্তি। ৰাইজে কৈছিল : ৰবিশংকৰ মহাৰাজে বানপানীৰ দিনত পানীৰ ওপৰেদিয়েই খোজ কাঢ়িব পাৰিছিল। তেওঁ সদা-

সৰ্বক্ষণেই মানুহৰ দুখ-কষ্ট লাঘৱ কৰাৰ বাবে সেৱাকাৰ্য্যত নিয়োজিত আছিল। তেওঁৰ অলৌকিকত্ব কেৱল মানুহৰ ওপৰতে নহয়, আনকি জন্তু-জানোৱাৰৰ ওপৰতো প্ৰতিফলিত হৈছিল, জন্তু-জানোৱাৰবিলাকো তেওঁৰ অলৌকিক ক্ষমতাৰে প্ৰভাৱিত হৈছিল। ৰবিশংকৰ মহাৰাজে হেনো বদমাছৰো বদমাছকসজ ব্যক্তিলৈ ৰূপান্তৰিত কৰিব পাৰিছিল। তেওঁ প্ৰায় এশ বছৰলৈ জীৱিত আছিল। সম্প্ৰতিহে ৰবিশংকৰ মহাৰাজ স্বৰ্গী হ'ল।

অসংখ্য কবিতা-নাটক-উপন্যাস আদিৰ ৰচয়িতা গুজৰাটৰ অন্যতম প্ৰখ্যাত সাহিত্যিক ঝবেৰচন্দ্ৰ মেঘানীয়ে (১৮৯৭—১৯৪৭) গুজৰাটী ভাষাত 'মন্সায়ং-না-দিৱা' নামেৰে ৰবিশংকৰ মহাৰাজৰ জীৱন-কাহিনীৰে মহৎ জীৱনী-গ্ৰন্থ ৰচনা কৰিছিল।

আমি জানোনে ?

১. তাজমহল কাষত থকা নৈখনৰ নাম ?
২. ভাৰতৰ কোনখন ৰাজ্যৰপৰা লোকসভালৈ অধিক সংখ্যক সদস্য নিৰ্বাচিত কৰি পঠোৱা হয় ?
৩. কোনবিধৰ চৰাইক প্ৰেম আৰু শান্তিৰ দূত বুলি কোৱা হয় ?
৪. পৃথিৱীত আটাইতকৈ ডাঙৰ জীৱিত জন্তুৰ নাম কি ?
৫. 'কুচিপুডি নাচ'ৰ লগত সম্পৰ্কযুক্ত ৰাজ্যখনৰ নাম ?
৬. সাধাৰণভাৱে কাক 'বিশ্বৰ প্ৰকাশ' বুলি কোৱা হয় ?
৭. কাৰাকোৰাম ৰাজআলিয়ে কোন দেশ দুখনৰ সংযুক্ত কৰিছে ?
৮. ভাৰতীয় পুৰাণৰ মতে অগ্নিৰ অধিদেৱতা কোন ?
৯. চীনদেশৰ ৰাজধানী অবেজিং। সেইখন দেশৰ আটাইতকৈ ডাঙৰ নগৰখনৰ নাম ?
১০. আজিৰ দিনৰ অট্টালিকাত থকা 'লিফট' কোনে আৱিষ্কাৰ কৰিছিল ?
১১. কোন দেশত আটাইতকৈ অধিক পৰিমাণে ৰূপ পোৱা যায় ?
১২. ন'বেল শান্তি-বঁটা বিজয়ী আমেৰিকীয় নিগ্ৰো নেতা কোন ?
১৩. ইফিল টাওৱাৰ ক'ত অৱস্থিত ?
১৪. তুৰ্কিদেশৰ ইস্তানবুল নগৰক আগৰ দিনত কি নামেৰে অভিহিত কৰা হৈছিল ?
১৫. ভাৰতক স্বাধীনতা প্ৰদানৰ কালছোৱাত বৃটেইনৰ প্ৰধানমন্ত্ৰী কোন আছিল ?
১৬. 'জ্যামিতিক গণিতৰ জনক' কাক কোৱা হয় ?
১৭. দক্ষিণ আমেৰিকাৰ চিলিত কোন ভাষা ব্যৱহৃত হয় ?
১৮. বগা পতকা থকা দেশখন কোনখন ?
১৯. আধুনিক ব্যাংকিং-পদ্ধতিৰ ক'ত উদ্ভৱ হৈছিল ?
২০. তলা লগোৱা আৰু চাবিৰে খোলাৰ পদ্ধতি কোনখন দেশৰ মানুহে আৰম্ভ কৰিছিল ?

উত্তৰ

১. যমুনা।
২ উত্তৰপ্ৰদেশ।
৩. পাৰচৰাই।
৪. ব্লুহোৱেল।
৫. অন্ধ্ৰপ্ৰদেশ।
৬. যিশুখৃষ্ট।
৭. পাকিস্তান আৰু চীন দেশ।
৮. অগ্নি।
৯. শ্বাংহাই।
১০. এলিচ অ'টিচ।
১১. মেক্সিকো।
১২. মাৰ্টিন লুথাৰ কিং।
১৩. পাৰী বা পেৰিছ নগৰ।
১৪. কনস্টান্টি নোপল্।
১৫. ক্লেমেণ্ট এ্যাট্‌লি।
১৬. ইউক্লিড।
১৭. স্প্যানিশ্ব ভাষা।
১৮. পশ্চিম ছাহাৰা।
১৯. ইতালি।
২০. মিচৰদেশৰ মানুহে।

সাধু হোৱাৰ গুৰিকথা

ৰজাবাহৰ গাঁৱত সিদ্ধিৰাম নামৰ এজন অতি অহংকাৰী মানুহ আছিল। সিদ্ধিৰাম আছিল খঙাল আৰু অবাইচ মাতৰ ভঁৰাল। সি নভবা-নিচিন্তাকৈয়েই যাকে-তাকে হোৱাই-নোহোৱাই গালি পাৰিছিল।

এবাৰ চন্দ্ৰ নামৰ গৃহস্থ এজনৰ ম'হ এজনী সিদ্ধিৰামৰ খেতি-পাথৰত সোমাবলৈ ধৰোঁতেই সিদ্ধিৰামে লাঠিৰে সেই ম'হজনীক কোবাই আধামৰা কৰি খেদিলে আৰু তাৰ পাছত চন্দ্ৰৰ ঘৰলৈ গৈ চন্দ্ৰক মাত লগাই ক'লে, "হেৰাহে চন্দ্ৰ, তোমাৰ বদমাছৰো বদমাছ ম'হজনীয়ে মোৰ খেতি-পথাৰ তাহিলং কৰিলে। মোক ক্ষতিপূৰণ দিব লাগিব।"

চন্দ্ৰই শান্ত মাতেৰে ক'লে, "শুনা, ম'হ হ'ল পশু, বুদ্ধিহীন পশু। আৰু তোমাৰ খেতি-পথাৰত এতিয়া ঘাঁহৰ বাহিৰে আন কোনো ফচলো নাই। গতিকে—এইবাৰলৈ ক্ষেমিবা আৰু!"

কিন্তু এই মিঠা কথাৰে সিদ্ধিৰাম ভোল নগ'ল। সি দম্ভিৰে ক'লে, "হয়, ম'হ হ'ল এটা পশু। এতিয়া কাণ পাতি শুনা, সেই ম'হজনীৰ গাখীৰ কমেও সাত-দিন মোক আটাইখিনিয়েই দিবা। যদি নিদিয়া— মোৰ গৰুবিলাকক তোমাৰ খেতি-পথাৰ মেলি দিম—কথাটোৰ অলপো ইফাল-সিফাল নকৰিম।

আমঠ-অহংকাৰী সিদ্ধিৰামৰ কথা চন্দ্ৰই মানি ল'লে আৰু সাতদিন ধৰি গাখীৰ দিলে তাক।

এদিন সিদ্ধিৰামে গাঁৱৰ গেলামালৰ দোকানৰপৰা গুৰ অলপ কিনিলে। ঘৰলৈ

প্ৰমীলা শাউগিৰি,

নি, তৰাজুৰে জুখি, সেই গুড়খিনি ওজনত অলপ কম হোৱা যেন দেখি চিঞৰি চিঞৰি দোকানীক ক'লেগৈ, "বোলোঁ ঐ গেলা-বেপাৰী— দহোখন গাঁৱৰ ৰাইজে মোক জানে মানে ভয়-ভৰ কৰে। আৰু তইহেনে মোক বস্তু ওজনত কমকৈ দি ধাপ্পাবাজী কৰিছ ?"

দোকানীয়ে ক'লে, "সিধিৰাম, সৰু-সুৰা ভুল— সকলোৰে হয়। মই জানি-বুজি তোমাক বস্তু কমকৈ দিয়া নাছিলোঁ। তথাপি — মোক যদি এটা ধাপ্পাবাজ বুলিয়েই ভাবা, মোৰ দোকানলৈ তুমি আৰু নাহিলেই হ'ল। এনেকৈ চিঞৰাৰ, গালি পৰাৰ কোনো অৰ্থ নাই।"

"তইহেনে মোক আদব-কায়দা শিকাইছ ? বাৰু, হ'ব। তোক মই চাই ল'ম।" এই বুলি কৈ সিদ্ধিৰাম তাৰপৰা গোঁগোঁৱাই গুচি গ'ল।

দোকানৰপৰা অলপমান আঁতৰত থৈ দিয়া এবস্তা গৰুৰ খাদ্য দোকানীয়ে বাহিৰতে থৈ দিছিল। ৰাতিৰ পৰত সেই বস্তাটোত জুই জ্বলি উঠিল আৰু গোখাদ্যখিনি পুৰি ভস্ম হ'ল। এই কাম কোনে যে কৰিলে—ৰাইজে নুবুজাকৈ নাথাকিল। কিন্তু সিদ্ধিৰ বিৰুদ্ধে মাত মাতিবৰ দাঁত কাৰো নহ'ল।

এনেতে ৰজাবাহৰ গাঁবলৈ এগৰাকী সাধু আহিল। সাধুগৰাকীৰ অলৌকিক-শক্তিৰ কথা বিদিত হৈ গাঁৱৰ ঘৰে-ঘৰে সাধুক নিমন্ত্ৰণ কৰি ৰাইজে খুৱাই থকা হ'ল। এই কথা জানি—সিদ্ধিৰামে দম্ভি মাৰি তাৰ ঘৈণীয়েকক ক'লে, "গাঁৱত মোৰ সমান কোন ? কোনো এটাও নাই। গতিকে— সিহঁতে যদি খুৱাব পাৰিছে, মযো সাধুক ধৰি আনিম এসাজ খাবলৈ। তুমি যি পাৰা ৰান্ধিবা।"

তাৰ পাছত সিদ্ধিৰাম সাধুগৰাকীৰ কাষ চাপিল আৰু ক'লে, "মোক গাঁৱৰ

সকলোৱে জানে, মানে আৰু ডৰায় যে—তই জানিছই বোধকৰোঁ। গতিকে আজি দুপৰীয়াৰ সাজ আমাৰ ঘৰতে খাবিহি।"

তাত থিয় হৈ থকা আন মানুহখিনিৰ মাজত এজনে সিদ্ধিক সাহসেৰে সৈতে ক'লে, "কথাটো আৰু ভদ্ৰভাবে ক'ব পৰা নগ'লহেঁতেন জানো?"

সাধুৱে ক'লে, "এইবোৰ মোৰ মানত একেই। মোক যেৱে যেনেকৈ নামাতক—মাতিলেই হ'ল, মই আহাৰ গ্ৰহণ কৰিবলৈ যাম।"

তেতিয়া সিদ্ধিৰামে দন্তালিৰে কৈ উঠিল, "বাঃ! বাঃ! মূৰ্খৰ মূৰ্খ উক্তিৰ উপযুক্ত জৱাব হৈছে। তই বৰ বঢ়িয়া উত্তৰ দিলি। যেই কি নহওক—ঠিক বাৰ বজাত তই আমাৰ ঘৰ পাবিগৈ কিন্তু।" এই বুলি কৈ—সিদ্ধিৰাম গুচি গ'ল।



কিন্তু সাধুৱে সিদ্ধিৰামে কোৱা সময় মতে—দুপৰীয়া বাৰ বজাত তাৰ ঘৰলৈ যাব নোৱাৰিলে। সাপে খোটা মানুহে এজনক ঠিক তেতিয়াই সাধুৰ ওচৰলৈ লৈ অহা হৈছিল, আৰু বেমাৰী মানুহজনক ভাল কৰি তোলাত সাধুৰ কিছু দেৰি হৈছিল। তাৰ পাছত সাধুবাবা সিদ্ধিৰামৰ ঘৰলৈ গ'ল।

সিদ্ধিৰামে দমদমাই উঠি সাধুবাবাক ক'লে, "তোমাক দুপৰীয়া বাৰ বজাত আহিবলৈ কৈছিলোঁ, কিন্তু নাহিলা। মোৰ যি কথা সেই কাম—সেইহে মই সিদ্ধিৰাম। তুমি বাৰ বজাত নাহিলা, মই ভাত খালোঁ। এতিয়া তুমি গুচি যোৱা।"

সাধুৱে ক'লে, "অতিথি হ'ল নাৰায়ণ। এতিয়া চাৰে বাৰ বাজিল মাত্ৰ। অতিথিক এনেকৈ খেদিবে নাপায় মহয়?"

সিদ্ধিৰামে গুজৰি উঠি ক'লে, "আৰে! ই দেখোন মোক সুশিক্ষা দিবলৈ আহিছে!" এই বুলি কৈয়েই সাধুবাবাক কাণতলীয়া এপাট শোধালে।

সাধুৰ লগত থকা মানুহখিনিয়ে

ছিদ্ধিৰামক মাৰিবলৈ খেদি গ'ল. কিন্তু সাধুবাবাই তেওঁলোকক বাধা দি ক'লে, নামাৰিবা, এওঁক যি কৰে ঈশ্বৰেই কৰিব।"

কিছুদিনৰ অন্তত সিদ্ধিৰামৰ সোঁহাতত ডাঙৰ টেমুনা এটা হ'ল—যিখন হাতেৰে সি সাধুবাবাক মাৰিছিল। চাওঁতে চাওঁতে টেমুনাটো মস্ত ডাঙৰ হৈ উঠিল আৰু চিকিৎসকে তাৰ হাতখনক শল্য-চিকিৎসাৰে কাটি পেলাবলৈ ক'লে।

তেতিয়াহে সিদ্ধিৰামৰ বোধ হ'ল—কি গছৰ গুটি খালে মানুহ মৰে। এইবাৰ তাৰ মনত অনুতাপ হ'ল। সেই সাধুক যে অন্যায় ভাবে মাৰিছিল, তেতিয়াহে সিদ্ধিৰামে ভাবিলে।

আৰু কিছুদিনৰ অন্তত যেতিয়া তাৰ হাতখনৰ কাটি বাদ দিয়াৰ বাহিৰে আৰু কোনো উপায়েই নাথাকিল, তেতিয়া তাৰ অহংকাৰেই যে তাৰ পতনৰ হেতু হ'ল, সেই কথা সি ফটফটীয়াকৈ উপলব্ধি কৰিব পৰা হ'ল। সিদ্ধিৰামে কান্দি থাকিল। আৰু ঠিক তেতিয়াই সেই সাধুগৰাকী তাৰ সমুখত উপস্থিত হ'লহি। সাধুৱে সিদ্ধিৰামক সুধিলে, "কেনে আছা, সিদ্ধিৰাম?"

লগে লগে সিদ্ধিৰাম সাধুৰ ভৰিত দীঘল দি পৰিল আৰু ক'লে "প্ৰভু! মোক এনে দণ্ড ঈশ্বৰে দিলেনে আপুনিয়েই দিলে, মই অগিয়ানে নাজানো।"

সাধুগৰাকীয়ে মৃদুকৈ হাঁহিৰে ক'লে, "বোপা:, এতিয়াহে তোমাৰ মনৰপৰা আত্ম-অহংকাৰ গুচিল যেন পাইছোঁ। এতিয়া তোমাৰ আলৈ-আপদো নেহোৱা হ'ব।" এই বুলি কৈ, সাধুবাবা তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

এই ঘটনাৰ অন্তত অশিষ্ট সিদ্ধিৰাম শিষ্ট হৈছিল আৰু আগলৈ কেতিয়াও অহংকাৰৰ কাষেদিও নগৈছিল। বহু দিনৰ অন্তত—সিদ্ধিৰাম অহংকাৰ-ত্যাগী 'সাধু সিদ্ধিৰাম' বুলি খ্যাত হৈছিল।

সাহসৰ পুৰস্কাৰ

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ কালত তুৰস্ক দেশৰ আন্‌কাৰাত অমীৰখান নামৰ এজন মানুহ আছিল। অমীৰ মানে —ধনিক। কিন্তু নামত অমীৰ হ'লে কি হ'ব—অমীৰখান আছিল নিচেই নিছলা। দুখীয়াৰো দুখীয়া। তাৰ আছিল এজনী লড়কী (ছোৱালী), তাইৰ নাম আছিল ছল্‌মা। সকৰেপৰাই জিনৰ (ভূত-প্ৰেতৰ) কাহিনী শুনি শুনি ছল্‌মাজনী নিৰ্ভয়-নিডৰ হৈ উঠিছিল। ডৰ-ভয় কাক বোলে—তাকেই তাই নাজানিছিল।

এদিন অমীৰখানে তাৰ সৰুকালৰ দোস্ত্‌ (বন্ধু) আহমদক ৰুটিৰ দাওৱাত (নিমন্ত্ৰণ) দিলে (কৰিলে)। দাওৱাত পাই আহমদো আহিল। প্ৰায় দুপৰ ৰাতিলৈকে চলি থাকিল গল্প-চল্প। তাৰ পাছত খোৱা-বোৱা। খাই থাকোঁতে মাজনিশা পাৰ হওঁ হওঁ হ'ল। অমীৰখানে ৰুটিৰ দোকানৰপৰা যিমান ৰুটি আনিছিল, তাৰে নুজুৰিল, খাই থাকোঁতে কম পৰিল। তেতিয়া অমীৰখানে তেওঁৰ লড়্‌কী ছল্‌মাক ক'লে, “আই, তুমি নজীবৰ দোকানৰপৰা আৰু দহখনমান ৰুটি লৈ আহিব পাৰিবানে ?”

অহমদে কৈ উঠিল, “ধেৎ ! কেনেকৈনো এই মাজনিশাখন যাব তাই নজীবৰ দোকানলৈ ? নজীবৰ দোকানৰ নজদীকতে (ওচৰতে) আছে কব্বৰগাহ (মাৰিশালি)। তাইৰ ডৰ নালাগিব জানো ?”

“ডৰ !”

অমীৰখানে বিস্মিত দৃষ্টিৰে অহমদলৈ চাই ক'লে, “ডৰ-ভয় কাক বলে ছলমাই

‘তুৰস্কদেশৰ লোক-কথা’

নাজানে তাক। ডৰ যে কি আৰু দেখাত কেনেকুৱা—তাই একোবাৰে নাজানে।"

অবাক মানি অহমদে অমীৰখানক কৈছিল, "কাইলৈ হ'ল — অমাবস্যা। কালিলৈ—এই আউসীৰ ৰাতি তোমাৰ ছলমাজনীয়ে কবৰস্থানৰপৰা এটা লাওখোলা বুটলি আনিব পাৰিবনে?"

অমীৰখানে মিচিক-মাচাক হাঁহিৰে ক'লে, "বছ? মাত্ৰ এটা লাওখোলা? লাগে যদি—কবৰস্থানত সিঁচৰতি হৈ থকা গোটেইবোৰ লাওখোলা গোটাই লৈ আহিব পাৰিব। কিছু-কিঞ্চিত বাজী মাৰিবানে? ধৰা এশ আছৰফি (মুদ্ৰা)?"

বাজীৰ প্ৰস্তাৱত অহমদ ৰাজী হ'ল।

তাৰ পাছত অহমদে কৰিলে কি—অখ্যতৰ নামৰ দুখীয়াৰো দুখীয়া বুঢ়া মানুহ এজনক পইচা-পাতিৰে সেও কৰি সেই নিশা কবৰস্থানৰ গাঁত এটাৰ ভিতৰত লুকাই বহি থাকি কি কি কৰিব লাগিব—বুঢ়াটোক ভালকৈ শিকাই দিয়া হ'ল।

কবৰস্থান পাই ছলমাই লাওখোলা এটা হাতেৰে দাঙি ধৰাৰ লগে লগেই সেই বুঢ়াই খোনা মাতেৰে কৈ উঠিল, "হেঁ হেঁ — হেঁই লঁড়কী, সেঁইটু লাঁওখোঁলা নিনিবাঁ, সেইটু মোৰ মা-ৰ লাওখোলাঁ।"

ছলমাই সেই লাওখোলাটো তললৈ দলিয়াই পেলালে আৰু আন এটা লাওখোলা বুটলি ল'লে। কিন্তু এইবাৰো সেই বুঢ়াই কৈ উঠিল, "উহুঁ উহুঁ উহুঁ—সেঁইটোঁও নুছুবাঁ, সেইটো হ'ল মোৰ আব্বাঁজানৰ (দেউতাৰ) লাঁওখোঁলা।"

এইবাৰ ছলমাৰ উঠিল খং। ছলমাই গাঁতৰ ভিতৰত বহি থকা বুঢ়াটোক দেখা পালে আৰু হঠাৎ বুঢ়াটোৰ মূৰটোত থাপ মাৰি ধৰি ক'লে, "হাৰে চৈতানৰ বাচ্ছা! কাণৰ মলি গুচাই শুন্—শুনি ল', তোৰ এই লাওখোলাটোকে লৈ যাম।"

ডৰপুকু বুঢ়াই গাঁতটোতে বেহুচ হৈ পৰি থাকিল। ছলমাই কবৰস্থানৰপৰা

একুৰিমানতকৈয়ো অধিক লাওখোলা লৈ আহিল। অহমদ অতি বেয়াকৈ হাৰিল, আৰু অমীৰখানক এশ আছৰফি (মুদ্ৰা) দিলে।

নিভৰ ছলমাৰ নাম এতিয়া লোকৰ মুখে মুখে। এই নামটো এদিন চুবুৰীয়া গাঁৱৰ ছুলেমান নামৰ অতি ৰঈছ (ধনী) যুৱক এজনৰ কাণতো পৰিলগৈ। ছুলেমান ধনত শিতান দি থাকিছিল, যদিও মনত তাৰ শান্তি নাছিল। কিয়নো—তাৰ মৃতা মাকে জিনৰ অৰ্থাৎ প্ৰেতিনীৰ ৰূপ ধৰি সিহঁতৰ ঘৰতে সদায় বিনাই ফুৰিছিল।

এইবাৰ ছুলেমানে ছলমাক এই প্ৰেতাত্মাক খেদিবৰ বাবে তাৰ ঘৰত চাকৰিত মকৰল কৰিলে। তাইৰ দুখীয়া আব্বাজানৰ আৰ্থিক দুৰৱস্থাৰ কথা ভাবি ছলমায়ো এককথাত চাকৰিটো ল'লে।

এদিন কিবা জৰুৰী কামত ছুলেমান নগৰলৈ গ'ল। সেই নিশা ছলমাই অকলশৰেই আছিল, আৰু এই সুযোগত ছুলেমানৰ মাকৰ প্ৰেতাত্মাই ছলমাক প্ৰত্যক্ষভাবে দেখা দিলে। কিন্তু ছলমা একেবাৰেই বিচলিত বা ভীত নহ'ল।

ছুলেমানৰ মাকৰ প্ৰেতাত্মাই ছলমাক সুধিলে' "কিঅ' লড়্‌কী, মোক দেখি তোৰ বুকতলগা ডৰ লগা নাইনে?"



ছলমাই কৈ উঠিল, "কেলেইনো ডৰ? কিহলৈনো ডৰ? ডৰ-ভয় কাকে বলে জীৱনত মই জনা নাই। আৰু —তুমি হ'লা এগৰাকী ভালৰো ভাল আই। আইক দেখি কোনোবাজনীয়ে ভয়-ডৰ কিয়নো কৰিব লাগে?"

ছলমাৰ কথাৰ উত্তৰত ছুলেমানৰ মাকে মিচিকীয়াই হাঁহি মাৰি ক'লে, "তোমাৰ এই নিৰ্ভয়তাৰ আৰু তোমাৰ ৰূপ-গুণৰো মই শলাগ লৈছোঁ, আই। লগতে— তোমাৰ মিঠা মুখৰ মৌ-মিঠা কথাৰো। তুমি মোৰ ল'ৰাটোৰ মালকিন্ (ঘৈণীয়েক) হ'বলৈ মান্তি হোৱা যদি—

মই বৰ ভাল পাম। কিন্তু তুমি—”

শুনি ছলমাৰ মুখখন উজলি উঠিল।

তেতিয়া ছুলেমানৰ মাকে ক'লে, “শুনা, এই ঘৰৰ তলতে এটা এন্ধাৰখো এন্ধাৰ খোটালী আছে। তুমি অলপো ভয় নকৰি মোৰ লগে লগে সেই এন্ধাৰ খোটালীটোলৈ যাব পাৰিবা ?”

“পাৰি,ম আম্মা ক'লোঁৰেই নহয়—ডৰৰ ঘৰ কোনটো— মই জীৱনতো নাজানো।” ছলমাই ক'লে।

তেতিয়া ছুলেমানৰ মৃতা মাকে ছলমাক সেই নিমজ এন্ধাৰ খোটালীটোলৈ লৈ গ'ল, আৰু তাত এটা ডাঙৰ আৰু এটা সৰু কলহ দেখুৱাই ক'লে, “ছলমা, এই কলহ দুটাত সোণৰ আছ্ৰফি (সোণৰ মোহৰ বা মুদ্ৰা) ভৰ্তি হৈ আছে। এই সোণৰ মোহৰখিনিৰে মই তোমালোকৰ ছাদীলৈ (বিয়ালৈ) দোৱা (আশীৰ্বাদ) কৰিলোঁ। তোমাৰ মান ৰূপৱতী-গুণৱতী-বুদ্ধিমতীৰ ওপৰত মোৰ একমাথোন ল'ৰাটোৰ দায়িত্ব অৰ্পিলোঁ, আৰু মই চিৰকালৰ বাবে বিদায় ল'লোঁ। আৰু কেতিয়াও ক'তো কোনেও মোক তোমালোকে দেখা নাপাবা।” এই বুলি কৈয়েই ছুলেমানৰ মাক চকুৰ পচাৰতে তাৰপৰা নোহোৱা হৈ গ'ল।

ছলমাৰপৰা সকলো কথা শুনি ছুলেমান আনন্দত আত্মহাৰা হ'ল। কথাখিনি জীয়েকৰপৰা শুনি অমীৰখানেও এনে এক অভাৱিত সৌভাগ্য লাভক আল্লাহ-তাল্লাহৰ দান বুলি ভাবি তৎক্ষণাৎ আঁঠু লোৱা হ'ল আৰু আনন্দতে কান্দি থাকিল। ছলমাই তাইৰ আব্বাজানক সান্ত্বনা দিলে।

তাৰ পাছত এদিন ছলমা-ছুলেমানৰ ছাদীখন (বিয়া) মহা ধুমধামৰে পতা হ'ল।

এইদৰে, ছলমাজনীয়ে তাইৰ নিভৰ-নিৰ্ভয় জীৱনৰ প্ৰাপ্য পুৰস্কাৰ পালে।

বীৰ হনুমান

৩৫

শ্ৰীৰামচন্দ্ৰই যেতিয়া ৰথোপৰি দণ্ডায়মান হৈ মহাৰাজ ৰাৱণলৈ বাণবৃষ্টি কৰি থাকিল, তেতিয়া ৰাৱণ মহাৰাজৰ গাত ৰণচণ্ডী উঠিল। তেওঁ ৰামচন্দ্ৰলৈ তৎক্ষণাৎ গন্ধৰ্বাস্ত্ৰ প্ৰয়োগ কৰিলে। ৰাৱণৰ এই অস্ত্ৰ কি অস্ত্ৰ—ৰামচন্দ্ৰই তাৰ ৰেখ কৰিব পাৰি সেই মহাস্ত্ৰক মাজবাটতে বিনষ্ট কৰি পেলালে। তাৰ পাছত মহাবীৰ ৰাৱণৰজাই যেতিয়া দৈৰাস্ত্ৰ প্ৰয়োগ কৰিলে, ৰামচন্দ্ৰয়ো দৈৰাস্ত্ৰেৰে দৈৰাস্ত্ৰক ধ্বংস কৰি পেলালে।

এইবাৰ মহাযোদ্ধা মহাৰাজ ৰাৱণে ৰামচন্দ্ৰৰ ওপৰত মহাভয়ংকৰ ৰাক্ষসাস্ত্ৰ প্ৰয়োগ কৰিলে। এই অস্ত্ৰৰপৰা সংখ্যাতীত বিষ-সৰ্প ওলাল আৰু সেই ভয়াবহ বিষ-সৰ্পবিলাকে মুখৰপৰা জুই উলিয়াই ৰামচন্দ্ৰক আক্ৰমণ কৰিবলৈ সবেগে প্ৰধাৱিত হ'ল। তেতিয়া শ্ৰীৰামচন্দ্ৰই এই মহাভয়ংকৰ ৰাক্ষসাস্ত্ৰক ধ্বংস কৰাৰ মনেৰে গৰুড়াস্ত্ৰ নিক্ষেপ কৰিলে আৰু এই অস্ত্ৰৰপৰা ওলোৱা অসংখ্য গৰুড়পক্ষীয়ে সেই বিষসৰ্পবিলাকক উদৰস্থ কৰি পেলালে।

এইবাৰ মহাৰাজ ৰাৱণৰ ক্ৰোধৰ সীমা নাথাকিল। তেওঁ ৰামচন্দ্ৰলৈ টোৱাই বাণবৃষ্টি কৰি থাকিল। এসময়ত এক অতি শক্তিশালী বাণেৰে ৰামচন্দ্ৰৰ ৰথৰ ধ্বজা খণ্ড-বিখণ্ড কৰি পেলালে আৰু ৰথৰ

‘ৰাৱণৰ মৃত্যু’



অশ্ববিলাককো ঘাইল কৰিলে।

ৰাম-ৰাৱণৰ মহাযুদ্ধ প্ৰত্যক্ষ কৰিবলৈ দেৱ, গন্ধৰ্ব, যক্ষ, কিন্নৰ, কিংপুৰুষ, চাৰণ—আদি আকাশ-পথত দণ্ডায়মান হ'ল। দেৱৰাজ ইন্দ্ৰ-প্ৰদত্ত ৰথৰ ধ্বজা খণ্ড-বিখণ্ড হোৱাত তেওঁলোকে ৰাৱণৰ মহাপ্ৰতাপৰ কথা ভাবি কিঞ্চিত ভীত হৈ উঠিল।

এই যুদ্ধৰ ৰেহ-ৰূপৰ ৰেখ কৰি ৰাৱণৰ জয় অৱধাৰিত বুলি ভাবি বিভীষণ আৰু বানৰ বীৰ সকলো চিন্তিত হৈ উঠিল।

মহাৰাজ ৰাৱণে ভাবিলে: ৰামচন্দ্ৰক সংহাৰ কৰাৰ এয়েহে সময়। ৰাৱণে বজ্ৰায়ুধসম শূল এপাট দাঙি ল'লে। এই শূলপাটৰপৰা ওলোৱা ক'লা ক'লা ডাঠ ধোঁৱা আৰু জুইৰ শিখাই এই বিষম যুদ্ধ প্ৰত্যক্ষকাৰীসকলৰ বুকুও কঁপাই তুলিলে।

ৰাৱণ মহাৰাজে এই জ্বলন্ত-জীৱন্ত শূলপাট ৰামচন্দ্ৰলৈ টোঁৱাই ক'লে, "হাৰে ৰাম! চোৱাঁ! এয়ে হ'ল তোমাৰ মৃত্যুশূল! তোমাক মই এতিয়াই যমৰ আলহী কৰিম। তোমাৰ অতিকে' মৰমৰ লক্ষ্মণকো ধৰাশায়ী কৰিম। এইদৰে মই মোৰ মৰমৰ ভনীক অপমানৰ। পুত্ৰবধৰ আৰু অসংখ্য ৰাক্ষসবীৰক হত্যাৰ প্ৰতিশোধ ল'ম।" এই বুলি কৈয়েই ৰাৱণ মহাৰাজে সেই ভয়ানক শূলপাট ৰামচন্দ্ৰলৈ নিক্ষেপ কৰিলে।

লগে লগে ৰামচন্দ্ৰয়ো সেই অগ্নিমুখ শূলপাট ধ্বংস কৰিবলৈ বাণবৃষ্টি কৰি থাকিল। কিন্তু ৰামচন্দ্ৰৰ এই প্ৰচেষ্টা সফল নহ'ল। ৰাৱণৰ এই মহাযন্ত্ৰ ৰামচন্দ্ৰৰ চতুৰ্দিগত পাক খাই খাই ঘূৰি থাকিল। তেতিয়া ৰামচন্দ্ৰই দেৱৰাজ ইন্দ্ৰ-প্ৰদত্ত মহাশক্তি নামৰ অস্ত্ৰ এপাট প্ৰয়োগ কৰিলে আৰু ৰাৱণ মহাৰাজৰ শূলপাট নিস্তেজ হৈ—খণ্ড খণ্ড হৈ গ'ল।

এতিয়া ৰামচন্দ্ৰৰ যুদ্ধস্পৃহা বহুগুণে বাঢ়ি গ'ল। তেওঁ ৰাৱণৰ ওপৰত বিভিন্ন

অস্ত্ৰ প্ৰয়োগ কৰি থাকিল। এইবাৰ মহাপ্ৰতাপী বাঘ-বুকুৱা ৰাৱণ-ৰজাৰ বুকুতো কঁপনি উঠিল। ৰামচন্দ্ৰৰ অপাৰ বিক্ৰম দেখি ৰাৱণ মহাৰাজ প্ৰকৃত পক্ষেই শেঁতা পৰিল। মহাৰাজ ৰাৱণৰ এনে ভীত-সন্ত্ৰস্ত বিপৰ্য্যস্ত অৱস্থালৈ চাই ৰাৱণ মহাৰাজৰ ৰথৰ সাৰথিয়ে ৰথখন ৰণভূমিৰপৰা আঁতৰাই বহু দূৰলৈ হুঁহকি গ'ল। আৰু ৰাক্ষসৰাজৰ ৰথ ৰণভূমি এৰি হুঁহকি যোৱা দেখি ৰাক্ষসকুল হাহাকাৰ কৰি উঠিল।

ৰণভূমিৰপৰা ৰথ আঁতৰাই লৈ অহাৰ পাছতহে মহাৰাজ ৰাৱণে কথাটো ভালকৈ গমিলে। তেওঁ এই কথাত ক্ৰুদ্ধ হৈ তেওঁৰ ৰথৰ সাৰথিক কৈ থাকিল, "হাৰে দুষ্ট! মোৰ আদেশ বিনে মোৰ ৰথ যুদ্ধভূমিৰপৰা কেলেইনো হেঁাহকাই লৈ আহিলা? তুমি মোক এক অসমৰ্থ কাপুৰুষ বুলি ভাবিছানে কি? মোৰ কোনো বিক্ৰম-পৰাক্ৰম নাই বুলিহে ভাবিছানে কি! মোৰ শত্ৰুৰপৰা কিবা ভেটিভাৰ খাই এই দুৰ্বুদ্ধি হ'লনে তোমাৰ? মোৰ আদেশ—এই মুহূৰ্ততে ৰথ ৰণভূমিলৈ ওভোতাই লৈ যোৱা।"

সাৰথিয়ে নিৰহ নিৰহকৈ ক'লে. "মহাৰাজ! মোক আপোনাৰ মংগলহে লাগে। আৰু সেইহে মই যুদ্ধভূমিৰপৰা ৰথখন আঁতৰাই আনিলোঁ। ৰামচন্দ্ৰৰ সুতীব্ৰ আক্ৰমণ আপুনি পূৰ্বৰ তীব্ৰতাৰে প্ৰতিহত কৰিব নোৱৰাত মই বিপদ গমিহে এই কাৰ্য্য কৰিছিলোঁ। মোৰ এই ধাৰণা হৈছিল—আপুনি অত্যন্ত পৰিশ্ৰান্ত। শ্ৰান্তি অপনোদনৰ বাবে কিঞ্চিত বিশ্ৰাম আপোনাৰ পক্ষে আৱশ্যক। যুদ্ধভূমিত কেতিয়া কি অৱস্থাত কেনেকৈ ৰথ-চালনা কৰিব লাগিব—এই কথা যদি ইমান দিনতো নাজানিলোঁ—মইনো নিজক মহাৰাজৰ সাৰথি বুলি ক'ম কেনেকৈ?"



সাৰথিৰ কথাত মহাৰাজ প্ৰীত হ'ল আৰু তেওঁ তৎক্ষণাৎ তেওঁৰ বাহুস্থিত বহুমূল্য কংকণ সোলোকাই আনি সাৰথিলৈ উপহাৰস্বৰূপে আগবঢ়াই ক'লে, "তোমাৰ অপূৰ্ব ৰাজভক্তিৰ এইৰূপ পুৰস্কাৰ গ্ৰহণ কৰাঁ। এতিয়া মই ৰামচন্দ্ৰক সংহাৰ কৰিবলৈ আগুৱান হ'ম। তুমি ৰথাশ্ব বিলাকক ৰণভূমিলৈ চালনা কৰাঁ।"

সাৰথিয়ে ৰথ দ্ৰুতগতিৰে চলাই ৰামচন্দ্ৰৰ ৰথৰ সমুখলৈ লৈ গ'ল।

তেতিয়া ৰামচন্দ্ৰও পৰিশ্ৰান্ত। ৰাৱণৰ বিৰুদ্ধে ৰণ দিয়াৰ শক্তি-সামৰ্থ্য তেতিয়া ৰামচন্দ্ৰতো নাছিল।

ৰাম-ৰাৱণৰ যুদ্ধ চাবলৈ অন্যান্য দেৱতাৰ সৈতে অগস্ত্য মুনিও তাত-উপস্থিত হৈছিলহি! ত্ৰিকালজ্ঞ অগস্ত্য মুনিয়ে চিন্তান্বিত শ্ৰীৰামচন্দ্ৰক ক'লে, "হে ৰাম! তোমাৰ শ্ৰান্তি গুচাবলৈ আৰু যুদ্ধোৎসাহ ঘূৰাই পাবলৈ তুমি সৰ্ব স্তোত্ৰৰ শ্ৰেষ্ঠ স্তোত্ৰ আদিত্য স্তোত্ৰ কেইবাৰমান জপ কৰাঁ আৰু তাৰ পাছত ৰাৱণৰ বিৰুদ্ধে পুনৰ অস্ত্ৰ ধাৰণ কৰি যুদ্ধক্ষেত্ৰলৈ আগবাঢ়াঁ।" এই বুলি কৈ, অগস্ত্যমুনিয়ে আদিত্যহৃদয় স্তোত্ৰ ৰামচন্দ্ৰক শিকাই দি তাৰপৰা প্ৰস্থান কৰিলে।

ৰামচন্দ্ৰই ভক্তিযুক্ত অন্তঃকৰণৰে সেই আদিত্য স্তোত্ৰ তিনিবাৰ জপ কৰাত তেওঁ পুনৰ সঞ্জীৱিত হৈ উঠিল আৰু তাৰ পাছত ধনুৰ্বাণ দাঙি লৈ ইন্দ্ৰ-প্ৰদত্ত ৰথোপৰি পুনৰ আৰূঢ় হ'ল।

ৰামচন্দ্ৰই তেওঁৰ ৰথৰ সাৰথি মাতলিক ক'লে, "হে অভিজ্ঞ ৰথ-সাৰথি মাতলি, আগ বাঢ়াঁ!"

লগে লগে মাতলিয়ে ৰথৰ অশ্ব-বিলাকক চলাই দিলে।

এইবোৰ-এনেবোৰ কথা-কাণলৈ চাই চাই মহাৰাজ ৰাৱণ একেবাৰে জমদগ্নিহেন হৈ উঠিল। তেওঁ ৰামচন্দ্ৰলৈ টোঁৰাই বৃষ্টি



ধাৰাৰ দৰে বাণ বৃষ্টি কৰি থাকিল।

শ্ৰীৰামচন্দ্ৰই ৰাৱণৰ অন্তিম অভিপ্ৰায়ৰ কথা ঠাৰৰ কৰিব পাৰি ইন্দ্ৰ-প্ৰদত্ত ধনু দাঙি লৈ প্ৰচণ্ডবাবে।

চাওঁতে চাওঁতে ৰাম-ৰাৱণৰ যুদ্ধই প্ৰচণ্ড মূৰ্তি ধাৰণ কৰিলে। উভয় পক্ষৰ শূৰ-বীৰ সৰে ৰাম-ৰাৱণৰ এই নাই তই নাই মই ৰুদ্ধশ্বাস অৱস্থাত প্ৰত্যক্ষ কৰি থাকিল। দৰ্শনাৰ্থীসকলৰ মুখত ভীতিৰ চিহ্ন প্ৰকট হৈ উঠিল। ৰাম আৰু ৰাৱণৰ মাজত লাগি পৰা এই যুদ্ধ যে প্ৰকৃততেই অন্তিম যুদ্ধ—সেই কথাত তেওঁলোকৰ কোনো সন্দেহ নাথাকিল।

এনেতে—ৰামচন্দ্ৰ-নিক্ষিপ্ত এপাট অতি শক্তিশালী বাণে মহাৰাজ ৰাৱণৰ মুণ্ড কাটি পেলালে। কিন্তু চকুৰ পচাৰ নৌ পৰোঁতেই সেই মুণ্ড পুনৰ গজি উঠিল।

ৰামচন্দ্ৰই পুনৰ বাণেৰে ৰাৱণৰ মুণ্ডচ্ছেদ। কৰিলে কিন্তু পুনৰ মুহূৰ্ততে নতুনকৈ মুণ্ড গজি উঠিল। এইদৰে—বাৰে বাৰে কাটিও ব্যৰ্থ হৈ ৰামচন্দ্ৰ অতি দুশ্চিন্তাগ্ৰস্ত তথা অতিপাত বিস্মিতো হ'ল। সহস্ৰবাৰ মুণ্ড কাটিলেও কেনেকৈ যে পুনৰ গজে—তাৰ তলা-নলা নাপাই ৰামচন্দ্ৰ যেনিবা ৰা-বাঁহৰ চেপাতে পৰিল। বহু দিনৰ আগতে দণ্ডকাৰণ্যত বিৰাধক আৰু ক্ৰৌঞ্চাৰণ্যত কবন্ধক যি বাণেৰে বধ কৰিছিল, সেই বাণ কিয় ৰাৱণৰ ক্ষেত্ৰত ব্যৰ্থ হ'ল—ৰামচন্দ্ৰই সেই কথাৰ ভু বিচাৰি নাপালে।

এইদৰে, ৰামচন্দ্ৰ আৰু মহাৰাজ ৰাৱণৰ মাজত সাত দিন সাত ৰাতি ধৰি ছেদভেদ নোহোৱাকৈ যুদ্ধ চলি থাকিল। কিন্তু ৰামচন্দ্ৰৰ অজস্ৰ বাণ বৃষ্টিয়ে কোনো গুণ নিদিলে, ৰাৱণৰজা অপৰাজেয় হৈয়েই থাকিল।

এনে অৱস্থাত সাৰথি মাতলিয়ে ৰামচন্দ্ৰক ক'লে, "ৰাৱণৰ মৃত্যুৰ ক্ষণ

এতিয়ালৈকো উপস্থিত নোহোৱাত এনে অৱস্থাৰ সৃষ্টি হৈছে। কিন্তু অষ্টম দিৱসত অৱশ্যেই ৰাৱণৰ মৃত্যু হ'ব।

যুদ্ধৰ অষ্টম দিৱসত যেতিয়া পুনৰ ৰামচন্দ্ৰৰ আৰু মহাৰাজ ৰাৱণৰ ৰথ সমুখা-সমুখি হ'ল, ৰামচন্দ্ৰৰ ৰথৰ সাৰথি মাতলিয়ে উচ্চকণ্ঠেৰে ৰামচন্দ্ৰক ক'লে, "আজি অষ্টম দিৱস—ৰাৱণবধৰ এয়েহে প্ৰকৃষ্ট সময়। অযথা বিলম্ব নকৰি ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰি বধ কৰাটোৱেই শ্ৰেয়ঃ।"

মাতলিৰ কথা শুনি ক্ৰুদ্ধ হৈ মহাৰাজ ৰাৱণে দেখাত জীৱন্ত কাল সৰ্পহেন এপাট বিভৎস বাণ হাতত ল'লে।

এবাৰ ব্ৰহ্মাই ইন্দ্ৰৰ কাৰণে এই বাণ সৃজিছিল। বজ্ৰসম এই কঠোৰ আয়ুধে যেইকোনো মহাশক্তি সম্পন্ন অস্ত্ৰক ধ্বংস কৰি পেলাব পাৰে।

ইপিনে—ৰামচন্দ্ৰয়ো বেদোক্ত মন্ত্ৰ উচ্চাৰণ কৰি মহাস্ত্ৰ ব্ৰহ্মাস্ত দাঙি লৈ, মহাপ্ৰতাপী মহাৰাজ লংকেশ্বৰ ৰাৱণে একো টলকিবলৈ নৌ পাওঁতেই তেওঁলৈ টোৱাই নিক্ষেপ কৰিলে আৰু চকুৰ পচাৰতে সেই ব্ৰহ্মাস্ত্ৰই মহাপ্ৰতাপী ৰাৱণৰ বক্ষভেদ কৰিলে। এইবাৰ ৰামচন্দ্ৰই হেলাৰঙে ৰাৱণবধ সম্পন্ন কৰি অস্ত্ৰ ত্যাগ কৰি হস্তধৌত কৰিলে।

ৰাৱণৰ মৃত্যুৰ লগে লগে দেৱ-দুন্দুভি বাজি উঠিল। আকাশৰপৰা ৰামচন্দ্ৰৰ ওপৰত অজস্ৰধাৰাৰে পুষ্পবৃষ্টি হৈ থাকিল। যানৰ সকলৰ সৈতে দেৱ-গন্ধৰ্ব-যক্ষ-কিন্নৰ কিংপুৰুষ আৰু চাৰাণাদিয়েও ৰামচন্দ্ৰৰ স্তুতিগীতি গাবলৈ ধৰিলে।

জ্যেষ্ঠভ্ৰাতাৰ মৃত্যুৱে বিভীষণক শোকাভিভুত কৰি তুলিলে। বিভীষণে এই বুলি কৈ কৈ আক্ষেপ প্ৰকাশ কৰিলে যে—সীতাদেৱীৰ অপহৰণেই হ'ল মহাৰাজ ৰাৱণৰ চৰিত্ৰৰ একমাত্ৰ কলংক-জনক অধ্যায়। সেই কাৰণেহে তেওঁৰ ইমান দুৰ্নাম—দুৰ্যশ। নহ'লে—মহাৰাজ

ৰাৱণ আছিল এগৰাকী পৰম নৈষ্ঠিক পৰাক্ৰমী তপোধন পণ্ডিত পুৰুষ।

বিভীষণৰ শোক-বিহ্বল খেদোক্তি শুনি ৰামচন্দ্ৰই বিভীষণক ক'লে, "মহাৰাজ ৰাৱণে কাপুৰুষৰ মৃত্যু বৰণ কৰা নাই, তেওঁ বীৰৰ মৃত্যু বৰণ কৰিলে। প্ৰকৃত বীৰ এগৰাকীয়ে যেতিয়া যুদ্ধক্ষেত্ৰত বীৰৰ মৃত্যু বৰণ কৰে—সেই বীৰৰ কাৰণে বন্ধু-মিত্ৰ-আত্মীয়-স্বজনে শোক প্ৰকাশ কৰা উচিত নহয়।"

ৰামচন্দ্ৰৰ সান্ত্বনাৰে বিভীষণৰ শোক কথঞ্চিত প্ৰশমিত হ'ল। এতিয়া বিভীষণে তেওঁৰ জ্যেষ্ঠভ্ৰাতাৰ অন্তিম কাৰ্য্যলৈ অৰ্থাৎ মৃতদেহৰ সংকাৰ-কাৰ্য্যলৈ মনোনিবেশ কৰিলে।

সংকাৰ কাৰ্য্যৰ কথা ভবা-গুণা কৰি থাকোঁতে অকস্মাৎ বিভীষণৰ মনত কথা এটাই মূৰ দাঙিলে: মৃত মহাৰাজ ৰাৱণ যিমানেই নিষ্ঠাৱান পণ্ডিত ধৰ্মবেত্তা নহওক—পৰস্ত্ৰী অপহৰণৰ অপৰাধত তেওঁ মহা অপৰাধী—মহানীচতা প্ৰাপ্ত। তেনেস্থলত—তেওঁৰ অন্তিম সংকাৰ-কাৰ্য্য স্বাভাৱিক নিয়মেৰে সম্পাদিত হ'বনে?

এই খু-চুৰনিৰ কথা বিভীষণে শ্ৰীৰামচন্দ্ৰৰ ওচৰত প্ৰকাশ কৰাত শ্ৰীৰামচন্দ্ৰই বিভীষণক ক'লে, "মহাৰাজ ৰাৱণৰ অন্যান্য সদ্‌গুণৰ কথা বিস্মৃত হোৱা উচিত নহ'ব। তেওঁৰ বহুতো প্ৰশংসনীয় সদগুণো আছিল। গতিকে—তোমাৰ জ্যেষ্ঠভাতৃৰ মুখত তুমি পৰম নিশ্চিন্ত হৈ অগ্নি স্পৰ্শ কৰিব পাৰিবা!— এই কাৰ্য্যত কোনো ধৰ্মলংঘন নহ'ব।"

তাৰ পাছত মহাৰাজ ৰাৱণৰ অন্তিম-কাৰ্য্যৰ আয়োজন কৰা হ'ল। যথোপযুক্ত শাস্ত্ৰ বিধিমতে চন্দন কাঠেৰে চিতশয্যা ৰচনা কৰা হ'ল। আৰু কনিষ্ঠভ্ৰাতা বিভীষণে মহান পণ্ডিত মৃত জ্যেষ্ঠভ্ৰাতা ৰাৱণৰ মুখমণ্ডলত মুখাগ্নি কৰিলে।





পোহৰ

অভয়পুৰ গাঁৱত অতুল্য নামৰ এজন যুৱক আছিল। অতুল্যাই তাৰ বিছ বছৰীয়াতে বহু ধৰণৰ বিদ্যা আয়ত্ব কৰিছিল। এদিন তাৰ দেউতাকে তাক অলপ টকা দিলে আৰু ক'লে, "বোপা, তুমি চহৰলৈ গৈ তোমাৰ বুদ্ধিবৃত্তিৰে আয়-উপাৰ্জন কৰা গৈ। অৱশ্যে— যেতিয়াই মন যাব ঘৰলৈ আহিবা।"

দেউতাকৰ কথা মতে অতুল্যাই চহৰলৈ বুলি ৰাওনা হ'ল। গৈ গৈ এসময়ত ভাগৰ লগাত এজোপা গছৰ তলত জিৰণি ল'বলৈ বহিল।

অলপ পাছত তালৈ আন এজন যুৱকো ওলালহি। কথাই কথাই অতুল্যাই জানিব পাৰিলে এইজন যুৱকৰ নাম হ'ল আবহুল আৰু সি-ও পঢ়া-লিখা শিকি বিদ্যাৰম্ভ হোৱাৰ অন্তত আয়-উপাৰ্জনৰ দিহা কৰাৰ বাবে চহৰলৈ বুলি ওলাইছে।

সিহঁত দুয়োজনে কত যে কথা পাতি থাকিল! নানান ধৰণৰ ন-কথা পুৰণি কথা। কিন্তু ঠিক তেতিয়াই কিছুমান হাবিয়লীয়া জংলী মানুহে। সিহঁত দুজনক চাৰিওফালৰপৰা আগুৰি ধৰিলে।

মংলী নামৰ জংলী বিলাকৰ চৰ্দাৰে অতুল্য আৰু আবহুলক ক'লে, "বুজিছাই —তোমালোক আমাৰ হাতত পৰিলা। আমি আমাৰ জংগলৰ মংগলকাৰিণী গোসাঁনীৰ আগত বলি দিবলৈ কোনোবা এটা মানুহক বিচাৰি আছিলোঁ। পালোঁ। আমাৰ এটাৰেই কাম হৈ যাব। গতিকে তোমালোকৰ দুটাৰ এটা গুচি যাব পাৰা।

"মই তোমালোকৰ লগত যাম।"

তাৰ পাছদিনা অতুল্য আৰু আবদুলে এই বিপদৰপৰা মুক্তিৰ উপায় এটা ভাবি লৈ জংলীচৰ্দাৰ মংলীক ক'লে, "তোমালোকে পূৰ্ণিমাৰ নিশাহে বলি দিবা ? পূৰ্ণিমালৈ এতিয়াও প্ৰায় পোন্ধৰ দিন আছেগৈ। তাৰ আগতে—এই পোন্ধৰ দিনতে তোমালোকে আমাৰপৰা বহুত নতুন নতুন কথা শিকি ল'ব পাৰা।"

জংলীচৰ্দাৰ মংলীয়ে অতুল্য-আবদুলৰ এই প্ৰস্তাৱত সন্মতি দিলে। প্ৰথমেই আবদুলে মংলীক মাংস মচলাৰে ৰান্ধি খোৱাৰ কিটিপ শিকাই দিলে। ইমান কাল ধৰি ইহঁতে মাংস কেঁচাই কেঁচাই খাব লাগে বুলিহে জানিছিল। এইবাৰ জীৱনত প্ৰথমবাৰৰ বাবে মচলাৰে ৰন্ধা মাংস খাই অবাক হৈ পৰিল।"

তাৰ পাছত অতুল্য-আবদুলে সিহঁতক নানান ধৰণৰ সাধুকথা শুনালে। শুনি সিহঁতে বৰ ভাল পালে, আৰু সেই সাধুকথাৰ কথাবোৰ বিশ্বাসো কৰিলে।

মংলীৰ জীয়েক এজনীয়ে এদিন অতুল্যক একাষৰীয়াকৈ মাতি নি সৰু সৰুকৈ ক'লে, "তুমি যদি মোক বিয়া কৰাবা বুলি বচন দিয়া, মই তোমাক ইয়াৰপৰা পলাই যাবলৈ সুৰুঙা বতাই দিম। ময়ো তোমাৰ সৈতে গুচি যাম।"

আবদুলে জংলী মংলীক ক'লে।

"মই যাম তোমালোকৰ সৈতে।" অতুল্যাই ক'লে।

ইহঁত দুটাৰ এটায়ো কাকো এৰি কোনো গুচি নাযায় বুলি বুজি পাই

তেতিয়া জংলীচৰ্দাৰ মংলীয়ে—দুয়োটাকে ধৰি লৈ গ'ল। মংলীহঁতৰ ডেৰা জংগলৰ ঘৰ) পাই—আবদুলে অতুল্যক সুধিলে, "গোসাঁনীৰ আগত মানুহ বলি দিলে গোসাঁনী সঁচাসঁচিকৈতুষ্ট হয়নে ?"

"এইবোৰ কুসংস্কাৰহে মাথোন। ইহঁত অজ্ঞ। সেই অজ্ঞতাৰ মাচুল আমি ভৰিব লাগিব।" অতুল্যাই আবদুলক ক'লে।

কিন্তু আবহুলক এৰি নাযাব অতুল্যাই। সেইহে—জংলীচৰ্দাৰ মংলীক অতুল্যাই এই কথাটো কৈ দিলে।

চৰ্দাৰে জীয়েকক ককৰ্থনা কৰিলে আৰু তাৰ পাছত অতুল্য-আবহুলক ক'লে, "তোমালোকৰ কথা শুনি মোৰো সুস্থ নাগৰিক হ'বৰ মন গৈছে। নৰবলি দিয়াটো যে ভাল নোহয়, সেই কথা ময়ো বুজি পাইছোঁ। কিন্তু গোসাঁনীয়ে খং উঠি জানোচা আমাৰ কিবা অনিষ্ট কৰে।"

"কোনো গোসাঁনীয়েই নৰবলি—বা কোনো প্ৰাণীকেই বলি দিবলৈ আমাক কোৱা নাই।" আবহুলে ক'লে।

নৰবলি নিদিলেও গোসাঁনীৰ খং-ৰাগ নুঠিব। আমাৰ অমঙল নাকৰিব যে মোক সেই কথাৰ পৰ্‌মাণ লাগে।" জংলীৰ চৰ্দাৰ মংলীয়ে ক'লে।

অতুল্য আৰু আবহুলে এই কথাৰ প্ৰমাণৰ এক অভিনৱ উপায় স্থিৰ কৰিছিল। অতুল্যাই জংলীচৰ্দাৰ মংলীক ক'লে, "শুনা, পূৰ্ণিমাৰ নিশা গোসাঁনীৰ আগত মোক তুমি বলি দিয়া। তেতিয়া —মোৰ বন্ধু অবহুলে তোমাৰ হাতত এপাট মন্ত্ৰসিদ্ধ খড়্গ দিব। যদি গোসাঁনীক বলি লাগেই — মই মৰিম। কিন্তু যদি গোসাঁনীক নৰবলি নালাগে—সেই খড়্গাই মোক কাটিব নোৱাৰিব।"

এই কথা শুনি জংলীচৰ্দাৰ মংলীৰ বৰ আচৰিত লাগি গ'ল। সি ক'লে, "ঠিক আছে, খড়্গাই যদি তোমাক নাকাটেই—গোসাঁনীক নৰবলি নালাগে বুলি আমিও মানি ল'ম বাৰু।"

অবাহুলে খড়্গৰ বা তৰোৱালৰ নিচিনা দা এপাট মংলীৰপৰা খুজি ল'লে আৰু তাৰ (আবহুলৰ) ওচৰত থকা চুম্বক এডোখৰৰ সহায়ত সেই তৰোৱাল তথা খড়্গৰ দা'ৰ চোক বাৰে বাৰে চুম্বকৰ স্পৰ্শেৰে ভোটা কৰি পেলালে। ঠিক একেই পদ্ধতিৰে লোহাৰ শকত তাঁৰ



এডালকো চুম্বকেৰে চৌম্বকধৰ্মী কৰিলে আৰু সেই লোহাৰ তাঁৰডাল অতুল্যৰ ডিঙিত পিন্ধাই দিলে। এইদৰে, বিজ্ঞানৰ সহায়ত সিহঁতে অন্ধ সংস্কাৰ দূৰ কৰাৰ তথা সিহঁতৰ নিজৰ মুক্তিৰ উপায়ৰ এক অভিনৱ বন্দবস্ত কৰিলে।

আজি পূৰ্ণমাৰ নিশা। অতুল্যক গোসাঁনীৰ আগত বলি দিয়াৰ বাবে বলিশালত ডিঙি পাতি দিবলৈ ইংগিত কৰাত অতুল্যই আবদুলৰ নিৰ্দেশ নিৰৱে পালন কৰিলে। বন্ধু দুজনে যি যেনেকৈ ভাবিছিল, কামো ঠিক তেনেকৈয়েই কৰা হ'ল। জংলীচৰ্দাৰ মংলীয়ে আবদুলে দিয়া সেই মন্ত্ৰসিদ্ধ খড়্গ দাঙি বলিশালত ডিঙি পাতি দিয়া অতুল্যক বলি দিবলৈ ঘপিয়াবলৈ ল'লে, কিন্তু চৌম্বকত্বৰ গুণত সেই খড়্গ তাৰ (মংলীৰ) হাতৰপৰা ছিটিকি পিছলৈ উফৰি পৰিল। মংলীয়ে আকৌ এবাৰ খড়্গ দাঙি লৈ অতুল্যক গোসাঁনীৰ আগত বলি দিবলৈ চেষ্টা কৰি চালে। কিন্তু ফল একেই হ'ল। এইদৰে, পঞ্চমবাৰ চেষ্টা কৰিও যেতিয়া অতুল্যক বলি দিবলৈ নহ'ল, তেতিয়া মংলীয়ে তলমূৰ হৈ এই কথা মানি ল'লে যে—গোসাঁনীক নৰবলি সঁচাকৈয়েই নালাগে।

আৰু বন্ধু দুজনৰ ভৰিৰ ওচৰত আঁঠু লৈ জংলীচৰ্দাৰ মংলীয়ে ক'লে, "কিন্তু তথাপি, —তথাপি নাগৰিকসকলৰ মাজলৈ গৈ জীয়াই থাকিবলৈ হ'লে আমাৰ ঢেৰ ধন লাগে। গতিকে—এটা উপকাৰ যদি কৰা—আমিও তোমাৰ লোকৰ দৰে থাকিব পাৰোঁ। এই ঠাইৰ ওচ'তে—অলপমান দূৰতে—এটা বিৰাট পাহাৰী গুহা আছে। সেই গুহাত আছে এটা দৈত্য। দৈত্যটোৱে যখৰ ধন পৰ দি ৰৈ আছে অনন্তকাল ধৰি। তালৈ যদি কোনোবা যায়—উভতি অহা টান বুলিয়েই আমি সকলোৱেপৰাই শুনি আহিছোঁ। তথাপি আমাৰ বিশ্বাস—তোমালোক তালৈ যোৱা

যদি—কিবা-নহয়-কিবা প্ৰকাৰে তাৰপৰা উভতি আহিব পাৰিবা। কিয়নো—তোমালোক অত্যন্ত বুদ্ধিমান বুলি আমাৰ বিশ্বাস হৈছে। এটা চেষ্টা দি চোৱা—সেই যখৰ ধন লৈ আহিব পাৰ যদি—।"

জংলীচৰ্দাৰ মংলীক দাড়ি ধৰি থিয় কৰাই অতুল্য আৰু আবদুলে কথা দিলে : সিহঁত সেই ধনৰ গুহালৈ যাব, সোমাবগৈ।

জংলীচৰ্দাৰ মংলীয়ে বন্ধু দুজনক এদিন সেই প্ৰকাণ্ড পাহাৰী গুহাটোৰ ওচৰলৈ লৈ গ'ল আৰু সিহঁতক তাতে এৰি থৈ সি তাৰপৰা গুচি আহিল।

তাৰ পাছত বন্ধু দুজন গুহাৰ ভিতৰলৈ সোমালগৈ। গুহাৰ ভিতৰফালত ঘুটঘুটীয়া এন্ধাৰ। সেই নিমজ এন্ধাৰৰ মাজেদি দুয়ো অন্ধৰদৰে আগ বাঢ়ি গৈ থাকিল।

হঠাৎ সিহঁতৰ আগত বিজুলীৰ দৰে কিবা ধৰণৰ পোহৰ পলকৰ বাবে ওলাল আৰু পাছ মুহূৰ্তত তাত সিহঁতৰ সমুখত এজনী অপূৰ্ব সুন্দৰী যুৱতীক দেখা পালে।

এইজনী সুন্দৰীয়ে অতুল্যক ক'লে, "তোমালোকৰ মাজত যিজনে মোক বিয়া কৰাবা, সেইজনেই মাত্ৰ জীয়াই থাকিব পাৰিবা, তুমি দেখাই-মেলাই ধুনীয়া, সেইহে মই তোমাৰ সমুখতে ওলাইছোঁহি। মোক তুমি নিঃচিন্তে বিয়া কৰোৱা।"



"তেতিয়া মোৰ বন্ধুৰ অৱস্থা কি হ'ব?" অতুল্যাই যুৱতীক সুধিলে।

অতুল্যৰ প্ৰশ্নৰ উত্তৰত যুৱতীয়ে হাঁহি হাঁহি আবদুললৈ চালে আৰু চাওঁতে চাওঁতে আবদুলৰ মৃত্যু হ'ল। আবদুল শিলৰ মূৰ্তিলৈ ৰূপান্তৰিত হ'ল।

তেতিয়া অতুল্যাই বন্ধুৰ কাৰণে কান্দি কান্দি সেই সুন্দৰী যুৱতীক ক'লে, "তুমি অতি নিমৰমিয়াল, তোমাক মই বিয়া নকৰাওঁ। মোক তুমি শিলৰ মূৰ্তিলৈ ৰূপান্তৰিত কৰি পেলোৱা।"

"মই তোমাৰ অন্তৰত আশাৰ সৃষ্টি কৰি তোমালোকক বিচ্ছিন্ন কৰিব



খুজিছিলোঁ। কিন্তু তোমালোকৰ এই বন্ধুত্ব — অমৰ বন্ধুত্ব। অলপ সময়ৰ পাছতেই তুমি তোমাৰ বন্ধুক পুনৰ জীৱন্তৰূপে ঘূৰাই পাবা।" এই বুলি কৈয়েই সেই সুন্দৰী যুৱতী নিমিষতে নোহোৱা হৈ পৰিল।

আৰু তৎক্ষণাৎ শিলৰ মূৰ্তিৰ ঠাইত পুনৰ জীৱন্ত আবদুল আৱিৰ্ভূত হ'ল। কি কাণ্ড হৈছিল—অতুল্যই আবদুলক ক'লে। সকলো কথা শুনি আবদুলে ক'লে, "ঈশ্বৰ-বিশ্বাসীক কোনেও মাৰিব নোৱাৰে, কেৱল ঈশ্বৰেহে মাৰিব পাৰে।"

তাৰ পাছত দুয়ো আগুৱাই গৈ থাকিল। কিছুদূৰলৈ আগুৱাই যোৱাৰ পাছত সিহঁতে ওখ-পাখ দেখাত লেংপেঙীয়া মানুহ এজনক লগ পালে।

সেঁ সেঁ-কৈ হাঁহি হাঁহি এই মানুহজনে অতুল্য আৰু আবদুলক ক'লে, "তোমালোকে গীত গোৱাঁ, ভাল ভাল গীত। যাৰ গীত মই ভাল পাম তাঁকেই মই এই ধনৰ ভঁৰালৰ ধন দিম। আৰু আনজনক যমৰ আলহী কৰিম।"

দুয়ো গীত গালে। এই গীত শুনি শুনি সেই লেংপেঙীয়া মানুহজনে নাচিবলৈ ধৰিলে। গীত গোৱা যেতিয়া বন্ধ হ'ল—তেতিয়া অতুল্য হঠাৎ গুহাৰ মজিয়াত বাগৰি পৰি ঢুকাল।

অবদুলে বন্ধুৰ কাৰণে কান্দি কান্দি ক'লে, "মোৰ বন্ধু যদি মৰিল—মোকো মাৰি পেলোৱা। নহ'লে— মোৰ বন্ধুক কেনেকৈ পুনৰ জীয়াই তুলিব পাৰি—কোৱাঁ। এতিয়াই কৈ দিয়া।"

লেংপেঙীয়াই একোকে নক'লে। সি অবদুলক হাতত ধৰি এটা প্ৰকাণ্ড ভঁৰালৈ লৈ গ'ল। তাত থৰে-বিথৰে সোণ-ৰূপ নানান ধৰণৰ আ-অলংকাৰ স'জাই থোৱা আছিল। চাই আবদুলৰ চকুত জলক-তবক লাগিল।

"এই ধন-ভঁৰালৰ ধন-সোণৰ গৰাকী

আজিৰপৰা—তুমি। তোমাৰ বন্ধুক যদি জীয়ন্তে ঘূৰাই পাবলৈ তোমাৰ মন, ঘূৰাই পাবা ; কিন্তু পাছ মুহূর্ততে এই বিপুল ধন-ভাণ্ডাৰ নোহোৱা হৈ যাব।

আবহুলে তৎক্ষণাৎ কৈ উঠিল, "বন্ধুক লাগে। বন্ধুবিনে মই নাবাঁচোঁ।"

পাছ মুহূর্ততে সেই ধন-ভঁৰাল অদৃশ্য হ'ল আৰু তাত অতুল্য জীৱিতাৱস্থাত তৎক্ষণাৎ আৱির্ভূত হ'ল।

ধন-ভঁৰালৰ কথা শুনি অতুল্যই ক'লে, "আকৌ এবাৰ প্রমাণিত হ'ল—হৰিয়ে যাক ৰাখে তাক কোনেও মাৰিব নোৱাৰে।"

তাৰ পাছত দুয়ো বন্ধু পুনৰ ৰংমনে আগুৱাই গৈ থাকিল। আগলৈ আৰু যে কিমান কি অদ্ভুত-আচৰিত কাণ্ড-কাৰ্যনা দেখা পাব—সেই কথা ভাবি ভাবি দুয়ো গৈ থাকোঁতে হঠাৎ পর্বতৰ দৰে প্ৰকাণ্ড-দেহী দৈত্য এটা সিহঁতৰ সমুখত ওলাল।

দৈত্যটোৱে অতুল্য আৰু আবহুললৈ মৰমসনা মাতেৰে ক'লে, "তোমালোকৰ বন্ধুত্ব—মহান বন্ধুত্ব—জানো মই। তোমালোকক ধনে-সোণে, বা সুন্দৰীয়ে তোমালোকক বিচ্ছিন্ন কৰিব নোৱাৰিলে। যি কি নহওক—তোমালোকৰ মাজত সর্বশ্রেষ্ঠ মহৎ বন্ধু কোন জনকোৱা।"

"এই কথা আমাৰ পক্ষে কোৱা অসম্ভৱ। এই কথাৰ চয়-নিচয়—তুমিয়েই কৰিবা। আৰু—আমাক একো নিদিলেও হ'ব, যদি দিব পাৰা—এই অৰণ্যৰ জংলীচৰ্দাৰ মংলীক কিছুখিনি ধন দিবা, তাৰেই আমি তোমাৰ জয় গাম।" আবহুল আৰু অতুল্যই এই কথা কোৱাত দৈত্যটোৱে 'তথাস্তু' বুলি কৈ তৎক্ষণাৎ তাৰপৰা নোহোৱা হৈছিল।

জংলীচৰ্দাৰ মংলীয়ে ধন পাই নিজৰ সম্প্রদায়ক সভ্যতাৰ পোহৰ দেখুৱাব পাৰিছিল। সিহঁতৰ অজ্ঞানতাৰ অন্ধকাৰ কিঞ্চিতমান হ'লেও দূৰীভূত হৈছিল।

গোঁজেই হ'ল গজালি

সৎ মানুহে ভূতৰ নামত ভয় খায়,
কিন্তু পাপীবোৰে ভূতক ভালহে পায়।

সুতখোৰ ধনদেৰে গাঁৱৰে দুখুনীৰো দুখুনী তিৰোতা এজনীক সামান্যমান টকা ধাৰলৈ দিছিল। বাঁৰী দুখুনী তিৰোতা-জনীৰ আছিল ছটা ল'ৰা-ছোৱালী। অতি কষ্টেৰে — কেতিয়াবা খুজি-মাগি, কেতিয়াবা ভাতৰ নিসনিকে খুজি আনি ল'ৰা-ছোৱালীহঁতক খুৱাইছিল। এই বাঁৰীজনীয়ে সুতখোৰ ধনদেওৰপৰা সুত দিয়াব কৰাৰ কৰি ত্ৰিছটা টকা ধাৰলৈ লৈছিল, আৰু তাৰ কাৰণে থকা ঘৰটোকে বন্ধকত থ'বলগীয়া হৈছিল।

এবছৰ পাৰ হ'ল। দ্বিতীয় বছৰৰপৰা ধনদেওৱে সুতৰো সুত হিচাপ কৰি থাকিল। এইদৰে প্ৰায় দুবছৰৰ পাছত সুতে-মূলে হিচাপে কৰি সেই ত্ৰিছটা টকাকে সি তিনিশ টকালৈ পৰ্য্যৱসিত কৰিলে যেতিয়া—তেতিয়া দুখুনী বাঁৰীজনী মহা ফাপৰত পৰিল। ধনদেওৱে তিনিশ টকাৰ সলনি তিৰোতাজনীৰ ঘৰটোকে কাঢ়ি ল'বলৈ আঁচনি কৰিলে।

এই আঁচনি কৰি সি-ও ওলাল, আৰু এটা ভূতেও তাক দেখিলে।

ধনদেওৱে ভূতটোক সুধিলে, "কথানো কি? আমাৰ গাঁৱত যে—? ইয়াতে কাৰোবাক ধৰি খোৱাৰ মন নে কি?"

ভূতটোৱে হাঁহি মাৰি ক'লে, "তুমিনো ক'লৈ ওলাইছা সাৰ-পবিত্ৰ হৈ?"

সুতখোৰ ধনদেওৱে ভূতটোক তাৰ আঁচনিৰ কথাটো ভাঙি-পাতি ক'লে। সি যে ত্ৰিছটা টকাকে কেনেকৈ সুতৰো

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’

সুত তস্য সুতৰ মকৰা-হিচাপ কৰি. তিনিশ টকালৈ উঠালে আৰু বুৰ্বকৰো বুৰ্বক বাঁৰী মানুহজনীৰ ঘৰটো কেনেকৈ হাতৰ মুঠিলৈ আনিবৰ দিহা কৰিলে—সেইবোৰ কথা সি বাহাদুৰিৰেই ক'লে ভূতটোক।

"আই ঔ!"

ভূতটোৱে কৈ উঠিল, "তেনেহ'লে—যি দেখিছোঁ—মানুহতকৈ ভূতেই ভাল। ভূতৰ মাজত ইমান ফন্দী-ফুন্দা নাই।"

এই কথাত কিন্তু ধনদেওৱে অলপো বেয়া নাপালে। সিহঁতে দুয়ো একেলগে গাঁৱৰ বাটেদি গৈ থাকিল। গৈ থাকোঁতে এটা জুপুৰিৰপৰা কোনোবা এজনী তিৰোতাই চিঞৰি চিঞৰি তাইৰ ল'ৰাটোক কৈ থকা শুনা গ'ল, "বোলোঁ ঐ জহনীত যোৱাটো, তোকনো ভূত-প্ৰেতে চকুৰে নেদেখেনে? ৰাক্ষসেও খাব নাপায়নে? মৰ্ মৰ্ তই গু-খোৱাটো!"

সুতখোৰ ধনদেওৱে ভূতটোক ক'লে, "বছ, তোমাৰ আহাৰৰ বন্দৱস্ত হৈ গ'ল। মজাছে খাই থকা ইয়াক।"

ভূতটোৱে হাঁহি মাৰি ক'লে, "তিৰোতাজনীয়ে খঙতেহে তেনেকৈ কৈছে, মনৰপৰা কোৱা তো নাই। নিজৰ ল'ৰাক কোনোবাজনীয়ে ভূত-প্ৰেত-ৰাক্ষসক খাবলৈ দিয়েনে?"

আৰু অলপমান আগুৱাই যোৱাৰ পাছত এহাল গিৰিয়েক-ঘৈণীয়েকে



পৰস্পৰক গালিৰে তেভূত কৰি থকা শুনি সিহঁত দুটাই ৰৈ দিলে। ঘৈণীয়েকে গিৰিয়েকক কৈ আছিল, "তোমাক ভূতে খাওক—তেহে মই ভাল পাম।"

ধনদেওৱে উছাহৰে ভূতটোক ক'লে, "বহু! বঢ়িয়া ভোজ পালা। আৰুনো কিহলৈ দেৰি? নকৰা একদম কেৰিমেৰি। ধৰাঁ আৰু খোৱা, খাই মৰিশালিলৈ যোৱা।"

সিহঁত পুনৰ গৈ থাকিল। এই কথা ভাবি সুতখোৰ ধনদেও আচৰিত হ'ল যে —ভূতটোৱে কাৰোবাক ধৰি খাবলৈ ওলাই খোৱাৰ সুবিধা পায়ে খোৱা নাই।

যি কি নহওক, গৈ গৈ ধনদেও দুখুনী বাঁৰী মানুহজনীৰ ঘৰ পালেগৈ। সুতখোৰ ধনদেওৱে মাত লগালে, "পেহী—?"

ধনদেওৱে ক'লে, "তুমি পেহী—ধাৰৰ মূল টকা বাদেই, সুতখিনিৰো এপইচাও নিদিলা যোৱা দুবছৰত। গতিকে—চুক্তি মতে—এইবাৰ তোমাৰ ঘৰটোকে দিয়া মোক। তুমি আজিয়েই এই ঘৰটো এৰি তোমাৰ মাল-মতংখিনি লৈ গুচি যোৱা।"

সুতখোৰৰ কথা শুনি খঙতে একো নাই হৈ বাঁৰী মানুহজনীয়ে কৈ উঠিল, "হাৰে বদমাছ! তোকনো ভূতে ধৰিব নাপায়নে? তোক বাৰু ভূতে খাওক, গাঁৱৰ ৰাইজে শান্তি পাওক — লেতেৰা সুতখোৰটো—!"

এইবাৰ ভূতটোৱে সুতখোৰ ধনদেওক খপ্‌কৈ ধৰি কপকৃকৈ গিলি খাই দিলে। বাঢ়নী হাতত লৈ ঘৰৰপৰা ওলাই আহি বাঁৰী মানুহজনীয়ে সুতখোৰক তাত দেখা নাপাই হতবাক হৈ ভাবিলে ঃ কিনো ঈশ্বৰৰ লীলা, কোনেনো তাক দিলে গাগল-গিলা?

ইমান পৰে আনক খাবলৈ কোৱাৰ পাছত সি সুতখোৰে যে নিজই ভূতৰ আহাৰ হ'ব—গোঁজেই যে হ'ব গজালি— সি কল্পনাও কৰিব পৰা নাছিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য



বিলুপ্ত প্ৰজাতিৰ প্ৰতিনিধি!

এসময়ত ধৰিত্ৰীত জীৱিত হৈ থকা তথা দাৰুণভাবে দপদপাই থকা 'ডায়ন'ছোৰাছ' নামৰ প্ৰকাণ্ড জেঠীপ্ৰজাতিৰ জন্তুৰ লগতে ঘঁৰিয়ালৰ ওচৰ-সম্পৰ্ক থকা বুলি কোৱা হয়। অতি ডাঙৰ বিল আৰু ঘঁৰিয়ালবোৰ পৰিলক্ষিত হয়। ঘঁৰিয়ালৰ দুটা প্ৰজাতি। এটাপ্ৰজতিৰ নাম হ'ল 'ক্ৰোকোডিল-ডি' আৰু আনটো হ'ল 'গানিয়াল-ডি'। ইহঁতৰ— অৰ্থাৎ দুয়োটো প্ৰজতিৰ ঘঁৰিয়ালৰে আকাৰ-প্ৰকাৰ আচাৰ-আচৰণ প্ৰায় একেই, কিন্তু সামান্য প্ৰভেদ-পাৰ্থক্যও নথকা নহয়। যেনে—ক্ৰোকোডিল-ডি-ৰ মুখগহ্বৰ মস্ত ডাঙৰ আৰু ইয়াৰ চতুৰ্থ দাঁতটো অতি দীঘল আৰু মুখৰ বাহিৰলৈ ওলাই থাকে। কিন্তু গানিয়াল-ডি-ৰ নাকডালহে কেৱল বেলেগ ধৰণৰ. দীঘল আৰু পাতল আৰু নখবোৰ কিঞ্চিত অধিক ওখবিধৰ।

যিমান গৰ্জন সিমান বৰ্ষণ নহয়...

ক্ৰুদ্ধ বাঘৰ কাণ দুখন পোন হৈ উঠে। কাণ দুখনৰ ওপৰত ঘূৰণীয়া দাগও দেখা যায়। এনেকুয়া বাঘৰ আগত পৰিলে তৎক্ষণাৎ জঁাপ মাৰি ধৰিবহি। কিন্তু বাঘৰ কাণ যেতিয়া থিয় হৈ হৈ উঠে, তেতিয়া সেই বাঘ গুজৰি থাকিলেও বৰ ক্ৰুদ্ধ হোৱা নাই বুলি ভাবি ল'ব পাৰি। তেনেকুৱাতে যদি বাঘৰ আগত কোনোবাই পৰেগৈ — বাঘটোৱে মাত্ৰ হাতোৰা আছোটিয়াই গুজৰিহে থাকিব, তৎকণাৎ আক্ৰমণ নকৰিব। জানেই, ভুকি থকা কুকুৰে পট্‌কৈ নাকামোৰে।

সুপ্ৰাচীন বিৰিখ ...

আমগছ সাধাৰণতঃ পঞ্চাছ বছৰমান জীয়াই থাকে। ১৯১২ চনত কোৱেম্বাটুৰত 'কৃষি-মহাবিদ্যালয়' নিৰ্মাণৰ বাবে যিডোখৰ মাটি লোৱা হৈছিল, তেতিয়াই পঞ্চাছ বছৰতকৈও অধিক বয়স হোৱা এজোপা আম তাত আছিল। সেই আমজোপা এতিয়া-লৈকো আছে, আৰু বছৰেকত ২০০০ মান ফলো দিছে। এইজোপা আমৰ একো একোটা ফলৰ ওজন ২৫০ গ্ৰ্যাম। এতিয়া এই আমজোপাৰ বয়স আনুমানিক ১৬০ বছৰ। ইয়াৰ গা-গছ বহলে ১৪ ফুট আৰু দীঘলে ৪০ ফুট। শাখা-প্ৰশাখাৰ হেঁচাত যাতে ভাগি নপৰে, তাৰবাবে ব্যৱস্থা লোৱা হৈছে।

Vacation time is here again
Time to put text books away
So we've come together to say
Have fun and 'Happy Holidays'!


It's holiday time again!
Time to put those text books
away. Time for cricket. And
ice-creams. And milkshakes.
Time for fun the whole day thru'!
From Coon, Wobbit, Teddy and all the rest
of us here at Chandamama, have a great time.
We wish we could spend your holidays with you.
THE
CHANDAMAMA
COLLECTION
Artig/1230

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব । ১৯৯৩ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব । উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব ।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মোহনীয়া দ্বিতীয় ফটো : জুৰণীয়া

পুৰস্কাৰ প্ৰাপক : কণা ভাগৱতী, ভাগৱতী প্ৰেছ, মাৰ্ঘেৰিটা ষ্টেশ্যন ৰোড, মাৰ্ঘেৰিটা, অসম ।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

“চকচকীয়া নিপ, আকাৰত দীপলীপ
হমৱৰ্ক কৰাত মোৰ কেমলিন তীখৰজিৎ !”

আমাৰ কনমান পাশাৰ ৰহস্য — কেমলিন
ফাউন্টেইন পেন। ইহঁতৰ উৎকৃষ্ট নিপৰ
জোৰত লিখিব পাৰি সলসলীয়াকৈ—
খৰটকীয়াকৈ। গতিকেই আমাৰ কনমানি
পাশাই হমৱৰ্ক কৰিব পাৰিব টিপিকতে।
আৰু খেলাৰ বাবে সময়েই সময়!

camlin

নলে গলে লগা সংগী।

Contract.CL-922.93.As

CHANDAMAMA (Assamese) June 1993 Regd. No. TN / MS (S) / 87